www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰেমত পৰিলে সাহিত্য লিখিব পাৰি আৰু প্ৰেমৰ বিচ্ছেদ হ'লে সাহিত্য বুজিব পাৰি।
— ৰবীন্দ্ৰ নাথ ঠাকুৰ।

□ ষষ্ঠ বছৰ □ সংখ্যা - ২৫১ □ দেওবাৰ □ ৭ ডিচেম্বৰ, ২০২৫ চন □ ২০ আঘোণ, ১৯৪৭ শক □ VOL - 6 □ NO.- 251 □ Sunday □ 7th December, 2025 □ মূল্য ঃ ১০.০০ টকা □ মুঠ পৃষ্ঠা ঃ ৮



### নামৰূপ সাৰ কাৰখানাৰ নতুন ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন

## ২১ ডিচেম্বৰত ডিব্ৰুগড়লৈ প্ৰধানমন্ত্ৰী মোদী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ ডিচেম্বৰ ঃ** আগন্তুক ২১ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমৰ ▸▸৬ পৃষ্ঠাত



## ১২ ডিচেম্বৰত দাখিল হ'ব জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ চাৰ্জশ্বীট

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** অসমৰ প্ৰখ্যাত সংগীতশিল্পী তথা অভিনেতা জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্ত প্ৰায় ▸▸৬ পৃষ্ঠাত

### এছ টি, এছ চি, চাহ শ্ৰমিক, মৰাণ আৰু মটক সম্প্ৰদায়ৰ বাবে দুটা সন্তানৰ নীতি শিথিল

# অসমত দুই সন্তানৰ নীতি বলবৎ

**অসম বাৰ্তা, গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** অসম চৰকাৰে ৫ ডিচেম্বৰত কেইবাটাও খিলঞ্জীয়া জনগোষ্ঠীৰ বাবে দুটা সন্তানৰ নীতি আনুষ্ঠানিকভাৱে সলনি কৰিছে। এই অনুসৰি অনুসূচীত জনজাতি, অনুসূচীত জাতি, চাহ বাগিচাৰ শ্ৰমিক, মৰাণ আৰু মটক গোষ্ঠীৰ সদস্যসকলক চৰকাৰী সুবিধা, নিয়োগৰ সুযোগ বা নিৰ্বাচনী যোগ্যতা হেৰুৱাব নোৱাৰাকৈ তিনিটা পৰ্যন্ত সন্তান জন্ম দিয়াৰ অনুমতি দিয়া হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে জাৰি কৰা এক অধিসূচনাত কোৱা হৈছে যে অসমৰ জনসংখ্যা আৰু মহিলা সৱলীকৰণ নীতি, ২০১৭ৰ সংশোধনী তাৎক্ষণিকভাৱে কাৰ্যকৰী হৈছে। আয়ুক্ত



### অসম চৰকাৰৰ ঘোষণা

আৰু সচিব পতিবন্দলা অশোক বাবুৱে এই নিৰ্দেশত স্পষ্ট কৰি দিয়ে যে এই শিথিলকৰণৰ ফলত এই সম্প্ৰদায়সমূহৰ লোকসকলকে চৰকাৰী চাকৰিৰ বাবে আবেদন, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আৰু তিনিটা সন্তান থকা সত্ত্বেও আত্মসহায়ক গোটৰ বাবে ইনচিয়েটিভ লাভ কৰিব পাৰে। ২৩ অক্টোবৰত ST, চাহ বাগিচা, মৰাণ আৰু মটক সম্প্ৰদায়ক দুটা শিশুৰ নিষেধাজ্ঞাৰ পৰা ৰেহাই দিয়াৰ কেবিনেট সিদ্ধান্তৰ পিছতে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেবিনেট বৈঠকৰ পিছত কয় যে এই সিদ্ধান্তৰ উদ্দেশ্য হৈছে জনসংখ্যাগতভাৱে এই গোষ্ঠীসমূহৰ অস্তিত্ব সুৰক্ষিত কৰা। আগন্তুক দশকসমূহত কঠোৰ জনসংখ্যা সীমাবদ্ধতাই তেওঁলোকৰ পৰিচয় বিনষ্ট কৰিব পাৰে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ যুক্তি দিয়ে যে এই জনগোষ্ঠীসমূহৰ বাবে দুটা সন্তানৰ সীমা বজাই ৰাখিলে ৫০ বছৰৰ ভিতৰত তেওঁলোকৰ বিলুপ্তি ঘটাব পাৰে। অসম লোকসেৱা (ক্ষুদ্ৰ পৰিয়াল নীতি প্ৰয়োগ) নিয়ম, ২০১৯ৰ অধীনত প্ৰত্যক্ষ ▸▸৬ পৃষ্ঠাত



### নিৰ্বাচনৰ আগত কোনো মিত্ৰতা নহয়, চৰকাৰ গঠনকাৰী দলৰ লগত থাকিম ঃ ৰিহন দৈমাৰী

## ছয় সম্প্ৰদায়ক এছটি মৰ্যাদা দিয়াত আপত্তি নাই বিপিএফৰ

**অসম বাৰ্তা, গহপুৰ, ৬ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনত বড'লেণ্ড পিপুলছ ফ্ৰণ্ট (বিপিএফ)য়ে এতিয়াও কোনো ৰাজনৈতিক দলৰ লগত মিত্ৰতা ▸▸৬ পৃষ্ঠাত

## ২০২৫-২৬ বৰ্ষৰ সাহিত্য বঁটা আৰু সাহিত্য পেন্সন ঘোষণা অসম চৰকাৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** অসম চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে 'সাহিত্য বঁটা' আৰু 'সাহিত্য পেন্সন'ৰ তালিকা আজি আনুষ্ঠানিকভাৱে ▸▸৬ পৃষ্ঠাত

## পুটিনক অসমৰ চাহ উপহাৰ দিয়াৰ প্ৰশংসা মুখ্যমন্ত্ৰীৰ



### বিজেপিৰ চৰকাৰ পুনৰ গঠন নিশ্চিতৰ দাবী হিমন্তৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ ডিচেম্বৰ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক ভাৰত ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপহাৰ দিয়া অসমৰ চাহক লৈ সমগ্ৰ ৰাজ্যতে চৰ্চা অব্যাহত আছে। অসমৰ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই এই পদক্ষেপক ▸▸৬ পৃষ্ঠাত

### ১৫ দিনৰ ভিতৰত দাখিল কৰিব প্ৰতিবেদন



## ইণ্ডিগ'ৰ বিমান সেৱাৰ বিপৰ্যয়ৰ তদন্তৰ নিৰ্দেশ কেন্দ্ৰৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ ডিচেম্বৰ ঃ** ইণ্ডিগ' এয়াৰলাইন্সৰ বিমান সেৱাত দেখা দিয়া গুৰুতৰ বিপৰ্যয় আৰু যাত্ৰীসকলৰ অভাৱনীয় দুৰ্দশাৰ পটভূমিত কেন্দ্ৰীয় চৰকাৰে উচ্চপৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। এই উদ্দেশ্যে চাৰিজনীয়া এখন বিশেষ সমিতি গঠন কৰা হৈছে, যাক আগন্তুক ১৫ দিনৰ ভিতৰত ▸▸৬ পৃষ্ঠাত

### ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদক সাংবিধানিক মৰ্যাদা প্ৰদানৰ দাবী



## দুধনৈত বিশাল জোৰ সমদল

### '২৬ৰ বিধানসভাৰ পূৰ্বে ষষ্ঠ অনুসুচী প্ৰদান নকৰিলে জংগী আন্দোলনৰ ভাবুকি

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৬ নৱেম্বৰ ঃ** ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে যদি ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তি কৰি ৰাভা জনগোষ্ঠীক সাংবিধানিক মৰ্যাদা প্ৰদান নকৰে তেনেহ'লে ৰাভা জাতীয় সংগঠন সমূহে জংগী আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব। এই ভাবুকি তিনি ৰাভা জাতীয় সংগঠনৰ। ৰাভা হাছঙক সাবিধানিক মৰ্যাদাৰ দাবীৰে আজি উত্তাল হৈ পৰিল দুধনৈৰ ৰাজপথ। আজি সন্ধিয়া নিখিল ৰাভা ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ৰ পৰা নিখিল ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত আৰু তিনিওটা ৰাভা জাতীয় সংগঠনৰ গোৱালপাৰা জিলা সমিতিৰ সহযোগত শনিবাৰে সন্ধিয়া ৰাভা হাছঙক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিৰ দাবীত জোৰ সমদল উলিয়াই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ ▸▸৬ পৃষ্ঠাত

## ভাৰত-ৰাছিয়া শীৰ্ষ বৈঠক ২০৩০লৈ ১০০ বিলিয়ন ডলাৰৰ বাণিজ্য

### পাৰমাণৱিক শক্তি প্ৰতিৰক্ষাত নতুন অধ্যায়

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ ডিচেম্বৰ ঃ** ভাৰত আৰু ৰাছিয়াৰ মাজৰ কেইবাদশকীয় বন্ধুত্বপূৰ্ণ সম্পৰ্কই নতুন মাত্ৰা লাভ কৰিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ ▸▸৬ পৃষ্ঠাত





### ৭৯ দিনত ভৰি দিলে আন্দোলনে ঃ উপাচাৰ্য শম্ভুনাথ সিঙক বৰ্খাস্তৰ দাবী

## তেজপুৰ বিশ্ববিদ্যালয়ত ইউজিচিৰ কাৰ্যবাহী অধ্যক্ষসহ তিনিজনীয়া দল

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ ডিচেম্বৰ ঃ** বিগত ৭৮ দিন ধৰি উত্তপ্ত হৈ থকা তেজপুৰ বিশ্ববিদ্যালয় চৌহদত শনিবাৰেও প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে তীব্ৰ আন্দোলন অব্যাহত ৰাখিছে। পলাতক উপাচাৰ্য প্ৰফেছৰ শম্ভুনাথ ▸▸৬ পৃষ্ঠাত

### '২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছত দলত্যাগৰ ধাৰা

## তথ্য-প্ৰযুক্তি বিভাগৰ অধ্যক্ষ প্ৰফুল্ল কুমাৰ দাসে এৰিলে দল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত কংগ্ৰেছ দলত পুনৰভাৱে দলত্যাগৰ পৰম্পৰা আৰম্ভ হ'ল। শনিবাৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সামাজিক মাধ্যম আৰু তথ্য-প্ৰযুক্তি বিভাগৰ অধ্যক্ষ প্ৰফুল্ল ▸▸৬ পৃষ্ঠাত

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা



## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দাবীত বৈদেশিক মন্ত্ৰী জয়শংকৰলৈ পত্ৰ গৌৰৱ গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা ৰহস্যজনক মৃত্যুৰ ঘটনাত সঠিক আৰু নিৰপেক্ষ তদন্তৰ দাবী উত্থাপন কৰি লোকসভাৰ বিৰোধী দলৰ উপনেতা তথা অসম প্ৰদেশ ▸▸৬ পৃষ্ঠাত

### ■ অসমত এতিয়া ৰাজতন্ত্ৰ চলিছে ঃ গৌৰৱ গগৈ ■

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ ডিচেম্বৰ ঃ** অসমত বিৰোধী ঐক্যমঞ্চৰ আলোচনাৰ বিষয়ে সংবাদ মাধ্যমত প্ৰকাশ নকৰি, সকলো দলৰ নেতাৰ পৰামৰ্শৰ ভিত্তিতহে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি পুনৰ স্পষ্ট কৰিলে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে। শনিবাৰে ডিব্ৰুগড়ত আয়োজিত এক সংবাদমেলত তেওঁ এই মন্তব্য কৰে। গৌৰৱ গগৈয়ে কয়, "বিৰোধী ঐক্যমঞ্চৰ ভিতৰুৱা ▸▸৬ পৃষ্ঠাত



## ৰূপহীহাটত দ্বিতীয়টো উচ্ছেদৰ বাবে সাজু প্ৰশাসন

**অসম বাৰ্তা, ৰূপহীহাট, ৬ ডিচেম্বৰ ঃ** ৰূপহীহাটত যোৱা ৫ ডিচেম্বৰ তাৰিখে প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযান সামৰি দ্বিতীয় পৰ্যায়ৰ উচ্ছেদৰ বাবে সাজু হৈছে জিলা প্ৰশাসন। ৰূপহীহাটৰ ভকতগাঁৱত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযান চলাই ৩৮ বিঘা ভূমিৰ ১৮ বিঘাৰ পৰা সকলো উৎখাত কৰি দিয়াৰ পাছত দ্বিতীয়টো পৰ্যায়ৰ ▸▸৬ পৃষ্ঠাত

## পʼষ্ট মেলনৰ গুৱাহাটী কনচাৰ্টৰ বাবে বিশেষ ট্ৰাফিক আৰু পাৰ্কিঙৰ ব্যৱস্থা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** আমেৰিকান পপ তাৰকা প'ষ্ট মেলনৰ গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া বিশাল ▸▸৬ পৃষ্ঠাত

### তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## ডিব্ৰুগড়ত খ্ৰীষ্টানলৈ ধৰ্মান্তকৰণৰ ছিণ্ডিকেট


**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ বিশেষকৈ পূব আৰু পশ্চিম মিলন নগৰৰ বৃহৎ অঞ্চলত ব্যাপক হাৰত খ্ৰীষ্টান ধৰ্মলৈ অসমীয়া থলুৱা মানুহক ধৰ্মান্তকৰণ চলিছে। হিন্দু বসতিপ্ৰধান নামঘৰ আদি থকা অঞ্চলবোৰত নতুনকৈ গঢ় লৈ উঠিছে ▸▸৬ পৃষ্ঠাত

### ৰাইজৰ উন্নয়নেই আমাৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য ঃ ৰূপক শৰ্মা

## নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিভিন্ন পঞ্চায়তত ১৫ টাকৈ পকীপথৰ আধাৰশিলা বিধায়ক শৰ্মাৰ



**অসম বাৰ্তা, নগাঁও, ৬ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি আৰু পথ নবীকৰণ আঁচনিৰ অধীনত আজি নগাঁও -বটদ্ৰৱা সমষ্টিৰ ৰাইডঙীয়া -বটদ্ৰৱা গাঁও পঞ্চায়ত, আইভেটি গাঁও পঞ্চায়ত, শেনছোৱা গাঁও পঞ্চায়ত আৰু মৰঙীয়াল গাঁও পঞ্চায়তৰ বিভিন্ন পথৰ লগতে নগাঁও চহৰৰ তিনিটাকৈ পথকে ধৰি মুঠ ১৫টাকৈ পথৰ আধাৰশিলা স্থাপন কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। আধাৰশিলা স্থাপন কৰি বিধায়ক ৰূপক শৰ্মাই কয় ৰাইজক উদ্দেশ্যি কয়- এই পকীপথ ▸▸৬ পৃষ্ঠাত



### নিশাৰ ভাগত আৰক্ষীৰ নিয়মীয়া তহলদাৰীৰ দাবী

# লখিমপুৰৰ পথৰ পৰা অসংখ্য কুকুৰ নিৰুদ্দেশ

### চোৰৰ সন্ত্ৰাস, শংকিত পশুপ্ৰেমী

**অসম বাৰ্তা, লীলাবাৰী, ৫ ডিচেম্বৰ ঃ** লখিমপুৰত 'প্ৰিভেনচন অফ ক্ৰুৱেলিটি টু এনিমেলচ এক্ট', ১৯৬০'ৰ বিৰোধী কাৰ্যকলাপ হৈ থকাৰ ৰহস্য ঘনীভূত হৈছে। উদ্বেগজনকভাৱে উত্তৰ লখিমপুৰ চহৰৰ বিভিন্ন ঠাইৰ পথৰ দাঁতিত বাস কৰা অসংখ্য বাটৰ কুকুৰ নিৰুদ্দেশ হোৱাৰ ঘটনাই পশুপ্ৰেমীক শংকিত কৰি তুলিছে। উত্তৰ লখিমপুৰ নগৰৰ খেলমাটি, কলেজ চাৰিআলি, কোৰ্ট তিনিআলি, চি. ডি. ৰোড, টাউন বাণ্টো, চানমাৰি, কে. বি. ৰোড, ত্যাগ ক্ষেত্ৰ, এ. টিম ফিল্ড, বজাৰপট্টি, নকাড়ীকে আদি কৰি বিভিন্ন ঠাইৰ পৰা শতাধিক কুকুৰ নিৰুদ্দেশ হৈছে। লখিমপুৰৰ কেইবাগৰাকী পশুপ্ৰেমীয়ে নিজে আহাৰ খুৱাই প্ৰতিপালন কৰা বহুকেইটা কুকুৰ বিগত কুৰি দিনৰ ভিতৰত হঠাতে নোহোৱা হৈছে আৰু গাড়ীৰ খুন্দাত গুৰুতৰভাৱে আহত কুকুৰক উদ্ধাৰ কৰি চিকিৎসা প্ৰদান কৰা দুটা কুকুৰো সন্ধানহীন হৈ আছে। সামূহিকভাৱে উত্তৰ লখিমপুৰ নগৰৰ পৰা হঠাতে বৃহৎ সংখ্যক কুকুৰ একেলগে নাইকিয়া হোৱাৰ ঘটনা এইয়াই প্ৰথম। বৃহৎ সংখ্যক কুকুৰ কেইটামান দিনৰ ভিতৰতে নিৰুদ্দেশ হোৱা ঘটনাত কু-অভিসন্ধি সোমাই থকাৰ লগতে গভীৰ ৰহস্যময়। কোনো দুষ্কৃতিকাৰীয়ে অবৈধভাৱে কুকুৰ সৰবৰাহ কৰি নাগালেণ্ডলৈ মাংসৰ বাবে হত্যা কৰি ভক্ষণ কৰাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। উত্তৰ লখিমপুৰ নগৰখনৰ পৰা অসংখ্য কুকুৰ নিৰুদ্দেশ হোৱা সন্দৰ্ভত ৩ ডিচেম্বৰ বুধবাৰে লখিমপুৰৰ পশুপ্ৰেমী, সমাজ সচেতক তথা সাংবাদিক প্ৰিয়মজ্যোতি ফুকনে লখিমপুৰ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক সাক্ষাৎ কৰি স্মাৰক-পত্ৰ প্ৰদানৰ সমান্তৰালকৈ উত্তৰ লখিমপুৰ সদৰ আৰক্ষী থানাত এজাহাৰ দিয়ে। পশুপ্ৰেমী ফুকনে উত্তৰ লখিমপুৰ চহৰত নিশাৰ ভাগত আৰক্ষীৰ তহলদাৰী ব্যৱস্থা একেবাৰেই নথকাৰ বাবে উত্তৰ লখিমপুৰ নগৰৰ মাজমজিয়াত বহুকেইটা অপৰাধজনিত ঘটনা সংঘটিত হোৱাৰ লগতে অপহৰণ, হত্যাকাণ্ড আৰু শিশু সন্ধানহীন হোৱাৰ ঘটনা পোহৰলৈ অহাৰ প্ৰসংগ উল্লেখ কৰি লখিমপুৰৰ আৰক্ষী প্ৰশাসনৰ চকুৰ সন্মুখতে চোৰে ধাৰাবাহিকভাৱে চুৰি কাৰ্য্য সংঘটিত কৰাৰ পিছতো লখিমপুৰ আৰক্ষীয়ে চোৰক নিয়ন্ত্ৰণ কৰিবলৈ অসক্ষম হোৱা সন্দৰ্ভত স্মাৰক-পত্ৰ আৰু এজাহাৰত উল্লেখ কৰিছে। লখিমপুৰ নগৰৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তত ড্ৰাগছ, নিচাজাতীয় দ্ৰব্য, মদ-ভাং আদিৰ অবাধ প্ৰচলন, সৰবৰাহে সমাজৰ শান্তি-শৃংখলা বিঘ্নিত কৰাৰ লগতে লখিমপুৰৰ কেবাগৰাকী পশুপ্ৰেমীয়ে লখিমপুৰ নগৰৰ পৰা পথৰ কুকুৰ নিৰুদ্দেশ হোৱা সন্দৰ্ভত উত্তৰ লখিমপুৰ সদৰ থানাত এজাহাৰ দাখিল কৰি উচিত তদন্তৰ দাবী কৰিছে যদিও আৰক্ষীয়ে বিষয়টোলৈ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন হৈছে। কোনে, কি উদ্দেশ্যত পথৰ কুকুৰবোৰ অবৈধভাৱে সৰবৰাহ কৰিছে চিনাক্ত কৰি ঘটনাটোৰ লগত জড়িত দুস্কৃতিকাৰীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান, উত্তৰ লখিমপুৰ নগৰত এনে ধৰণৰ অপৰাধমূলক ঘটনা, দুষ্কৰ্ম ৰোধ কৰিবলৈ নিশাৰ ভাগত শীঘ্ৰে আৰক্ষীৰ নিয়মীয়া তহলদাৰী ব্যৱস্থা, মানৱ সমাজৰ সৈতে সদায়েই সহ-অৱস্থান কৰা পথৰ কুকুৰবোৰ আৰু নিৰাশ্ৰয় জীৱ-জন্তুৰ জীয়াই থকাৰ অধিকাৰ নিশ্চিত কৰা, উত্তৰ লখিমপুৰ নগৰৰ ঠায়ে ঠায়ে চি. চি. কেমেৰাৰ ব্যৱস্থা কৰি নিয়মীয়াকৈ পৰ্য্যবেক্ষণ কৰা, ক্ষিপ্ৰতাৰে তদন্ত কৰি নিৰুদ্দেশ হোৱা কুকুৰবোৰক নিৰাপদে উদ্ধাৰ কৰিবলৈ লখিমপুৰৰ পশুপ্ৰেমী আৰু সচেতন ৰাইজে লখিমপুৰৰ আৰক্ষী, জিলা প্ৰশাসনক দাবী জনাইছে।

# ওদালগুৰি শংকৰদেৱ শিশু/বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য্য কনক দাসৰ আকস্মিক মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৫ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ ওদালগুৰি শংকৰদেৱ শিশু/বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য্য কনক দাসৰ (৫৯) অকাল বিয়োগ। প্ৰাপ্ত তথ্য অনুসৰি ২৯ নৱেম্বৰ শনিবাৰে সন্ধিয়া প্ৰায় ৬ মান বজাত ওদালগুৰিত খোজ কাঢ়ি থকা সময়তেই পিছফালৰ পৰা এখন তীব্ৰবেগী মটৰ চাইকেলে মহতিয়াই নিছিল। মটৰ চাইকেলৰ খুন্দাত থিতাতে বাগৰি পৰি গুৰুতৰভাৱে আহত হোৱা কনক দাসক সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাতে বৃহস্পতিবাৰে আবেলি প্ৰায় ৪ মান বজাত স্বৰ্গগামী হয় ওদালগুৰি শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য্য কনক দাস। মৃত্যুৰ আগমুহূৰ্তলৈকে কনক দাস ওদালগুৰিৰ শংকৰদেৱ শিশু নিকেতন সমূহৰ সংকুল প্ৰমুখ আৰু ওদালগুৰি শংকৰদেৱ শিশু/বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য হিচাপে কৰ্মৰত হৈ থকাৰ উপৰিও বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেখেতে তেখেতৰ পত্নী আৰু পুত্ৰ-কন্যাক ইহ-সংসাৰত এৰি যায়। তেখেতৰ অকাল মৃত্যুত সমগ্ৰ ওদালগুৰি জিলাতে গভীৰ শোকৰ ছাঁ পৰিছে। কনক দাসৰ মৃত্যুত বিদ্যা ভাৰতীৰ অধীনৰ শিশু শিক্ষা সমিতি অসমৰ সমূহ বিষয়ববীয়া কৰ্মচাৰী আৰু প্ৰতিখন শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য্য তথা আচাৰ্য্য-আচাৰ্য্যা, ওদালগুৰি শংকৰদেৱ শিশু নিকেতনৰ সমূহ আচাৰ্য্য-আচাৰ্য্যা, নিকেতন পৰিচালনা সমিতি, ওদালগুৰি শংকৰদেৱ শিশু নিকেতনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অগনণ গুণমুগ্ধই গভীৰ শোক প্ৰকাশ কৰে।

# মাকুম টেঙাপানী গাঁৱত ভয়াৱহ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, মাকুম, ৫ ডিচেম্বৰ ঃ** আজি নিশা প্ৰায় ৮ মান বজাত মাকুম টেঙাপানী গাঁৱৰ মাজমজিয়াত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ৰাজগড় আলি চাহবাগিছা দিশৰ পৰা মাকুম অভিমুখে আহি থকা এখন এ এচ ২৩ এ জি ১১৬৫ নম্বৰৰ কে টি এম মটৰ চাইকেল আৰু মাকুম দিশৰ পৰা টেঙাপানী গাঁৱলৈ গৈ থকা এখন এ এচ ২৩ বি চি ২১১২ নম্বৰৰ যাত্ৰীবাহী অটোৰ মাজত উক্ত পথ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত তিনিগৰাকীকৈ লোক আহত হয়। তাৰে ভিতৰত মটৰ চাইকেলৰ যুৱ আৰোহী দুজনৰ অৱস্থা সংকটজনক বুলি স্থানীয় প্ৰত্যেক্ষদৰ্শীয়ে জানিবলৈ দিয়ে। দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হোৱা আটাইকে স্থানীয় ৰাইজ আৰু লাংকাঁছি আৰক্ষী চকীৰ আৰক্ষীৰ সহযোগত ততাতৈয়াকৈ তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। আঘাতপ্ৰাপ্ত হোৱা লোক কেইজন ক্ৰমে নগাজান গাঁৱৰ দ্বীপ গড়(২১), মাৰিয়াছ উৰাং(৩০), মাকুম অশোক নগৰৰ সুৰমায়া দমাই(৪৫)। জানিবলৈ পৰা মতে অটোখনত থকা যাত্ৰী সকলে টেঙাপানী গড়বস্তি গাঁৱলৈ এখন বিবাহৰ অনুষ্ঠানলৈ আহি থকাৰ সময়তে দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখযোগ্য যে উক্ত অঞ্চলত প্ৰায়েই এনেধৰণৰ পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। পথ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰশাসনে গুৰুত্ব নিদিয়াৰ ফলতে দুৰ্ঘটনাসমূহ সংঘটিত হৈ আহিছে বুলি দুৰ্ঘটনা স্থলীত উপস্থিত থকা ৰাইজে অভিযোগ উত্থাপন কৰি মাদক দ্ৰব্য সেৱন কৰি তীব্ৰবেগত মটৰচাইকেল চলোৱা বাহন চালক সকলৰ ওপৰত প্ৰশাসনক বিহীত ব্যৱস্থা লবলৈ আহ্বান জনাইছে।

# শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ পঞ্চদশ সত্ৰাধিকাৰ প্ৰয়াত ৰমানন্দ দেৱ গোস্বামীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন

**অসম বাৰ্তা, মাজুলী, ৫ ডিচেম্বৰ ঃ** ২০০০চনৰ ২০ ডিচেম্বৰত (১৯২২শক ২৪ আঘোণ) বৈকুণ্ঠগামী হোৱা শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ পঞ্চদশ সত্ৰাধিকাৰ ৰমানন্দ দেৱ গোস্বামীৰ আজি ২৬ সংখ্যক মৃত্যু বাৰ্ষিকী তিথি। সত্ৰীয়া পৰম্পৰা অনুযায়ী আজি পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয় প্ৰয়াত সত্ৰাধিকাৰ গোস্বামীৰ মৃত্যু বাৰ্ষিকী তিথি। দিনযোৰাকৈ উদ্‌যাপিত তিৰোভাৱ তিথিৰ উপলক্ষে দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ গৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। সত্ৰৰ নিত্য নৈমিত্তিক কৰ্ম্মাদিৰ উপৰিও মৃত্যু বাৰ্ষিকী তিথি উপলক্ষে পুৱা উষা কীৰ্তন, ভকত বৈষ্ণৱৰ এক বিশেষ মাংগলিক গীত মাতৰ মাজত মূল মন্দিৰত বৈদিক নীতি নিয়মৰে সত্ৰাধিকাৰ শ্ৰীশ্ৰী ননী গোপাল দেৱ গোস্বামীয়ে পিণ্ডাদি কৰ্ম্ম সম্পাদন কৰে। ইয়াৰোপৰি সত্ৰীয়া ৰীতি পৰম্পৰা অনুসৰি উঠা নাম, গায়ন-বায়ন, নটুৱা নৃত্য, ওজা পালি আদি আধ্যাত্মিক সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। সত্ৰাধিকাৰ শ্ৰীশ্ৰী ননী গোপাল দেৱ গোস্বামী, শ্ৰীশ্ৰী দক্ষিণপাট গৃহাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱ গোস্বামী, প্ৰমুখ্যে সত্ৰৰ বিষয়-ববীয়া, ভকত-বৈষ্ণৱ আৰু শিষ্য-প্ৰশিষ্য সকলে সত্ৰাধিকাৰ গৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনায় বৈকুণ্ঠগামী সত্ৰাধিকাৰৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰে। নিশালৈ ঐতিহাসিক ৰাস নাটক ৰচক প্ৰয়াত বাসুদেৱ গোস্বামীয়ে সকামী সকলৰ উদ্দেশ্য প্ৰণয়ন কৰা'ৰাস কীৰ্তন' অনুষ্ঠিত হয়।

**ৰমানন্দ দেৱ সংস্কৃত বেদ পাঠশালাত শ্ৰদ্ধাঞ্জলিঃ** প্ৰয়াত ৰমানন্দ দেৱ গোস্বামীৰ নামত নামাংকিত শ্ৰীশ্ৰী দক্ষিণপাট গৃহাশ্ৰমী সত্ৰস্থিত ৰমানন্দ দেৱ সংস্কৃত বেদ পাঠশালাটো আজি পুৱা ৰমানন্দ দেৱ গোস্বামীৰ ২৬ সংখ্যক মৃত্যু বাৰ্ষিকী তিথি পালন কৰা হয়। সেই উদ্দেশ্য আয়োজিত অনুষ্ঠানত আনুষ্ঠানিক ভাৱে এগছি বন্তিপ্ৰজ্বলণ কৰাৰ অন্ততঃ শ্ৰদ্ধাঞ্জলি কাৰ্যসুচী শুভাৰম্ভ কৰে দক্ষিণপাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক জ্যেষ্ঠ সাংবাদিক দিবাকৰ শইকীয়াই। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি প্ৰয়াত সত্ৰাধিকাৰ গৰাকীৰ জীৱণ আৰু ব্যক্তিত্ব সোঁৱৰণ কৰি বক্তব্য প্ৰদান কৰে। বেদ পাঠশালাৰ অধ্যক্ষ জনাৰ্দন দেৱ গোস্বামী, পণ্ডিত নৰেশ কুমাৰ পাড়ী, পণ্ডিত খেমৰাজ কৈইলা, পণ্ডিত কৃষ্ণ খানাল, আচাৰ্য ৰাজেন কলিতা, আচাৰ্য দূল্লৰ্ভ দত্তৰ প্ৰমুখ্যে শিক্ষাৰ্থী সকলৰ লগতে গৃহাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰৰ পত্নী জয়া দেৱীয়ে শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। সত্ৰাধিকাৰ গৰাকীৰ জীৱনাৰ্দশৰ ওপৰত শিক্ষাৰ্থী নিত্য বৰাই বক্তব্য প্ৰদান কৰে। উপস্থিত শিক্ষাৰ্থী সকলে প্ৰয়াত সত্ৰাধিকাৰ গৰাকীৰ চৰণত এটি গুৰু বন্দনা পৰিৱেশন কৰে। উল্লেখ্য যে প্ৰয়াত সত্ৰাধিকাৰ গৰাকীৰ নামত যোৰহাট চটাই দক্ষিণপাট সত্ৰত দ্বিতীয়খন বেদ বিদ্যালয়ত সম্প্ৰতি নিয়মিত ধৰণে পাঠদান চলি আছে।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ উদ্যোগত পুৰণিগুদামত জুবিন গাৰ্গ সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ৫ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ উদ্যোগত পৰিষদৰ প্ৰাক্তন সতীৰ্থ প্ৰাণৰো প্ৰাণৰ শিল্পী জুবিন গাৰ্গদেৱৰ স্মৃতিত প্ৰাইজমানি এখনি ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ খেলপথাৰত অহা ৭ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া উক্ত ফুটবল প্ৰতিযোগিতাৰ কাৰ্যসূচী অনুসৰি পুৱা ন বজাত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পতাকা উত্তোলন কৰিব পৰিষদৰ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকাই, পুৱা ৯-৩০ বজাত শ্বহীদ তৰ্পণ কৰিব পৰিষদৰ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক মাহমুদৰ ৰহমানে, দুপৰীয়া বাৰ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। দুপৰীয়া ১২-৩০ বজাত "মায়াবিনী ৰাতিৰ বুকুত" শীৰ্ষক গীত পৰিৱেশন। বিয়লি এক বজাত জুবিন গাৰ্গদেৱৰ ফুটবল প্ৰতিযোগিতাৰ আনুষ্ঠানিক উদ্বোধনী কৰিব অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বনিয়াই, বিয়লি দুই বজাত পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় বনাম চামগুৰি মহাবিদ্যালয়ৰ মাজত ফুটবল খেলৰ আৰম্ভণি হ'ব। উক্ত উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব পুৰণিগুদাম বিৰিঞ্চি কুমাৰ বৰুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস, চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিত বেজবৰুৱা, পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত শইকীয়া, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক হেমন্ত দাস, সভাপতি প্ৰবাল শৰ্মা, ক্ৰীড়া সম্পাদক চন্দন বনিয়া, সমাজকৰ্মী ৰঞ্জিত বৰা, অকন্তী বৰা। লগতে বিশেষ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, চামগুৰি ৰাজহ চক্ৰ বিষয়া ড° ময়ূৰপঙ্খী বৰা, বৃক্ষৰোপণ আৰু শস্য উন্নয়ন নিগমৰ অধ্যক্ষ মণিমাধৱ মহন্ত, পৰিচালক তথা অভিনেতা যতীন বৰা, বিশিষ্ট সংগীত শিল্পী কৃষ্ণমণি নাথ, কণ্ঠশিল্পী বৰণ বিকাশ, জ্যেষ্ঠ সাংবাদিক সুনীল বৰা, ৰেৱতী মোহন বৰঠাকুৰ ফাউণ্ডেচনৰ সঞ্চালক বিভূতি বৰঠাকুৰ, যুৱনেতা লক্ষ্মীৰঞ্জন কাকতি, নগাঁও ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস আৰু বড়মপুৰ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক প্লাৱন বৰুৱা। প্ৰতিযোগিতাৰ বিজয়ী দলক ভৰাগুৰিৰ স্বৰ্গীয় বিপিন চন্দ্ৰ বৰাৰ সোঁৱৰণত দাতা পত্নী অকন্তী বৰা আৰু পৰিয়ালবৰ্গই প্ৰদান কৰিব নগদ বিশ হাজাৰ টকা, বিজিত দলক চলচলিৰ স্বৰ্গীয় চেনিৰাম বৰাৰ সোঁৱৰণত দাতা ৰঞ্জিত বৰা আৰু পৰিয়ালবৰ্গই প্ৰদান কৰিব নগদ পোন্ধৰ হাজাৰ টকা, সৰ্বাধিক গ'লদাতাক কুৰুৱাজান গাঁৱৰ বিশিষ্ট শিল্পী লীলাধৰ গায়নৰ সোঁৱৰণত দীগেন গায়ন আৰু পৰিয়ালবৰ্গই প্ৰদান কৰিব নগদ তিনি হাজাৰ টকা, শ্ৰেষ্ঠ গ'ল ৰক্ষকক চলচলিৰ কুমুদ চন্দ্ৰ শইকীয়াৰ সোঁৱৰণত দাতা নয়না বৰা আৰু পৰিয়ালবৰ্গই প্ৰদান কৰিব নগদ তিনি হাজাৰ টকা আৰু চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈক বৰপানীগাঁৱৰ মুক্তিযোদ্ধা বাণেশ্বৰ কলিতাৰ সোঁৱৰণত দাতা প্ৰভাত কলিতা আৰু পৰিয়ালবৰ্গই প্ৰদান কৰিব নগদ তিনি হাজাৰ টকা। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল এহাজাৰ টকা। প্ৰতিযোগিতাত যোগদান কৰিব বিচৰা ফুটবল দলক ৮৬৩৮১৬২৩৮৯, ৬০০১৬৫১১৩২ আৰু ৬০০০৪৬৪১৪৩ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

### কলকাতাৰ 'ডাইমণ্ড হাৰবাৰ' দলৰ ৫-০ গলৰ ব্যৱধানত বিজয়

# ডিগবৈত ১৭ সংখ্যক বদৌচা কাপ ফুটবল টুৰ্ণামেণ্টৰ চূড়ান্ত খেল অনুষ্ঠিত

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ৫ ডিচেম্বৰ ঃ** বদৌছা কাপ আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ফুটবল প্ৰেমীসকলৰ বাবে এটি চিনাকি নাম। অসমৰ অন্যতম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীৰ ৰজা বদৌচাৰ স্মৃতিত ২০০৯ চনত তিনিচুকীয়াত প্ৰতিষ্ঠা কৰা 'বদৌচা স্পৰ্টছ ক্লাব'-এ আহি আহি গৌৰবোজ্জল ১৭টা বৰ্ষ অতিক্ৰম কৰিলে। অসমৰ তিনিচুকীয়া জিলাৰ উপৰি বিভিন্ন জিলাৰ বিভিন্ন স্থানত প্ৰতি বছৰে অনুষ্ঠিত কৰা হয় এই প্ৰতিযোগিতাৰ খেলসমূহ। বদৌছা স্পৰ্টছ ক্লাবৰ উদ্যোগত আৰু আছাম ফুটবল এছ'চিয়েশ্যনৰ তত্ত্বাৱধানত অনুষ্ঠিত হয় এই প্ৰতিযোগিতা। আজি ১৭ সংখ্যক বদৌচা কাপ আমন্ত্ৰণমূলক ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন ডিগবৈৰ ভাৰতীয় তেল নিগমৰ ঐতিহাসিক জুবিলী খেলথাৰত অনুষ্ঠিত হয়। এইবাৰৰ খেলসমূহ যোৱা ২১ নৱেম্বৰৰ পৰা অনুষ্ঠিত হয় ক্ৰমে - সোণজান ৰাজহুৱা খেলপথাৰ, ডুমডুমা টাউন খেলপথাৰ, কাকপথাৰ ৰাজহুৱা খেলপথাৰত। মুঠ ৮টা শক্তিশালী দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ চূড়ান্ত খেলত অংশগ্ৰহণ কৰে ডাইমণ্ড হাৰবাৰ, কলকাতা আৰু বাৰেকুৰি এফ চি দলে। খেলখন উদ্বোধন কৰে 'অসম ফুটবল সন্থা'ৰ সম্পাদক ড° চাংগ্ৰাং ব্ৰহ্মই। চূড়ান্ত খেলত অতিথি হিচাপে উপস্থিত থাকে ডিগবৈৰ বিধায়ক সুৰেন ফুকন, শদিয়াৰ বিধায়ক বলিন চেতিয়া, তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষাণ, দুলীয়াজানৰ বিধায়ক তেৰছ গোৱালা, তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল, তিনিচুকীয়া জিলা ক্ৰীড়া বিষয়া কৌশিক ৰাজখোৱা, তিনিচুকীয়াৰ পৌৰ সভাৰ পৌৰপতি পুলক চেতিয়া, ভাৰতীয় তেল নিগমৰ উচ্চ পদস্থ বিষয়াবৰ্গ, মৰাণ জনগোষ্ঠীৰ ছয় সংগঠনৰ বৰ্তমানৰ আৰু প্ৰাক্তন সভাপতি-সম্পাদকসকল, বদৌছা স্পৰ্টছ ক্লাবৰ সভাপতি আৰু সম্পাদক ক্ৰমে অৰুণজ্যোতি মৰাণ আৰু জয়ন্ত দহোটীয়া আৰু অন্যান্য বিশিষ্ট ব্যক্তি। আজিৰ উত্তেজনাপূৰ্ণ খেলখনত কলকাতাৰ 'ডুৰাণ্ড কাপ' বিজেতা ডাইমণ্ড হাৰবাৰ, কলকাতা দলে 'বাৰেকুৰি এফ চি' দলক ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি সন্মানীয় বদৌচা কাপ আজুৰি নিয়ে।

# চামগুৰিৰ ব্ৰহ্মচাৰী সত্ৰত দুটা পৰিয়ালৰ চাৰিটা গৰু চুৰি

**অসম বাৰ্তা, পুৰণিগুদাম, ৫ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানা আৰু খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চল সমূহত গৰু চোৰৰ সন্ত্ৰাস অব্যাহত আছে। কিছুদিনৰ পৰা চামগুৰিৰ বিভিন্ন গ্ৰামাঞ্চল সমূহত গৰু চোৰৰ তাণ্ডৱ বৃদ্ধি পোৱা বুলি অভিযোগ উঠিছে। যোৱা নিশা চামগুৰিৰ খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মচাৰী সত্ৰৰ দুটাকৈ পৰিয়ালৰ গোহালিৰ পৰা যোৱা নিশা চোৰে চাৰিটাকৈ গৰু চুৰি কৰি নিয়া ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, এটা গৰু চোৰৰ দলে যোৱা নিশা ব্ৰহ্মচাৰী সত্ৰত প্ৰৱেশ কৰে। পৰৱৰ্তী সময়ত ব্ৰহ্মচাৰী সত্ৰৰ নিবাসী প্ৰমোদ চন্দ্ৰ হাজৰিকাৰ ঘৰৰ গোহালিৰ পৰা এটা পোৱালিসহ এজনী খীৰতী গাইগৰু আৰু একেটা চুবুৰীৰ মীনা বৰাৰ ঘৰৰ গোহালিৰ পৰা দুজনী গাভিনী গাইগৰু চোৰে লৈ উধাও হয়। নিশা দুয়োটা পৰিয়ালৰ লোকসকল নিদ্ৰাত থকা অৱস্থাত চোৰৰ দলটোৱে সুযোগ গ্ৰহণ কৰি গৰুকেইটা চুৰি কৰি নিয়ে বুলি জানিব পৰা গৈছে। আনহাতে, দুয়োটা পৰিয়ালৰ লোকসকলে আজি পুৱা নিজৰ গোহালিত গৰু নেদেখি চাৰিওফালে বিচাৰ খোচাৰ কৰে যদিও কোনো সন্ধান নাপাই শোকত ভাগি পৰে। পৰৱৰ্তী সময়ত দুয়োটা পৰিয়ালৰলোকে খাটোৱাল আৰক্ষী থানাত গৰু চুৰি সন্দৰ্ভত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে।

### আলিপুৰ দুৱাৰ মৰিয়নি ইণ্টাৰচিটি এক্সপ্ৰেছে কাটিলে এজনক

# দেৰগাঁও বৰুৱাবামুণ গাঁও ৰে'লগেটত ভয়ংকৰ ঘটনা

**অসম বাৰ্তা, দেৰগাঁও, ৫ ডিচেম্বৰ ঃ** বৃহস্পতিবাৰে দেৰগাঁও বৰুৱাবামুণ গাঁও ৰে'লগেটৰ সমীপত উজনীমুৱা আলিপুৰ দুৱাৰ মৰিয়নি ইণ্টাৰচিটি এক্সপ্ৰেছে কাটিলে এজনক। প্ৰাপ্ত তথ্য মতে থিতাতে নিহত ১ নং বৰপুখুৰী পাৰৰ সঞ্জীৱ ভড়ালী। ব্যক্তি জনে পুৱা ৯ বজাত ঘৰৰ পৰা ওলাই সন্ধিয়া ৰে'ল লাইনৰ ওপৰেদি ঘৰমুৱা অৱস্থাত সংঘটিত হয় এই ঘটনা। ঘটনাস্থলীত আহি উপস্থিত হয় স্থানীয় দেৰগাঁও আৰক্ষীৰ দল। ৰে'লপথৰ ওপৰতে মৃতদেহ পৰি থকাৰ বাবে বৰ্তমান বৰুৱা বামুণ গাঁও ৰে'লৰে ষ্টেচনত ৰৈ আছিল গুৱাহাটী অভিমুখী ইণ্টাৰচিটি এক্সপ্ৰেছখন।

# বঙাইগাঁৱত চাঞ্চল্য ঃ প্ৰেমৰ বাবে প্ৰাণ হেৰুৱালে যুৱকে, মাটিৰ তলেৰে উদ্ধাৰ মৃতদেহ

**অসম বাৰ্তা, বঙাইগাঁও, ৫ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ বিদ্যাপুৰ অঞ্চলত সংঘটিত এক লোমহৰ্ষক হত্যাকাণ্ডই সমগ্ৰ জিলাখনতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিদ্যাপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ২নং নাচনকুটীত প্ৰেমিকাৰ স্বামীয়ে প্ৰেমিকক হত্যা কৰি মাটিৰ তলত পুতি থোৱাৰ দৰে এক ভয়ংকৰ ঘটনা পোহৰলৈ আহিছে। জানিব পৰা মতে, ২নং নাচনকুটীৰ বাসিন্দা নয়ন বৰ্মনক তেওঁৰ প্ৰেমিকাৰ স্বামী একেশ্বৰ বৰ্মনে হত্যা কৰে। এই হত্যাকাণ্ড যোৱা সোমবাৰেই সংঘটিত হৈছিল যদিও আজিহে (বৃহস্পতিবাৰ) ইয়াৰ সবিশেষ পোহৰলৈ আহে। ঘটনা সন্দৰ্ভত স্থানীয় ৰাইজৰ মাজত সৃষ্টি হোৱা উকমুকনিৰ পিছতে বিদ্যাপুৰ আৰক্ষীয়ে ততাতৈয়াকৈ অনুসন্ধান আৰম্ভ কৰে। আৰক্ষীয়ে অনুসন্ধান চলাই অভিযুক্ত হত্যাকাৰী একেশ্বৰ বৰ্মনক ইতিমধ্যে আটক কৰিবলৈ সক্ষম হৈছে। হত্যাকাৰীক জেৰা চলোৱাৰ পিছত তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে এক অভিযান চলায়। ঘটনাত ব্যৱহৃত স্থানত আৰক্ষীয়ে হত্যাকাৰী একেশ্বৰ বৰ্মনক লগত লৈ মাটি খান্দি নৰহত্যাৰ বলি হোৱা প্ৰেমিক নয়ন বৰ্মনৰ মৃতদেহ পুতি থোৱা অৱস্থাৰ পৰা উদ্ধাৰ কৰে। প্ৰেমজনিত কাৰণতে এই হত্যাকাণ্ড সংঘটিত হোৱা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে আৰু ঘটনাটোৰ সবিশেষ তথ্য উদঙাবলৈ অধিক তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

### ১৬ গৰাকী বৈকুণ্ঠগামী সত্ৰাধিকাৰলৈ শ্ৰদ্ধাঞ্জলি

# যোৰহাটৰ পুৰণিমাটিত থান সেৱা উৎসৱ পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৫ ডিচেম্বৰ ঃ** যোৰহাট পশ্চিম অঞ্চলৰ মায়ামৰা পুৰণিমাটি সত্ৰত আজি থান সেৱা উৎসৱত আঘোণৰ ন-লগোৱাৰ লগতে ১৬ গৰাকী বৈকুণ্ঠগামী সত্ৰাধিকাৰলৈ শ্ৰদ্ধাঞ্জলি জনায়। আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্বকালত মধুৰমূৰ্তিদেৱে ১৬৯৫ চনত ব্ৰহ্মপুত্ৰৰ পাৰৰ পলাশগুৰিত সত্ৰখন প্ৰতিষ্ঠা কৰিছিল। ১৬৯৫ চনত মধুৰমূৰ্তিদেৱৰ মহাপ্ৰয়াণ হয়। অজতানন্দ দেৱ, শিৱানন্দ দেৱ, পূৰ্ণানন্দ দেৱে ১৭৭৮ চনলৈকে পলাশগুৰিতে সত্ৰখন পৰিচালনা কৰি আছিল। ব্ৰহ্মপুত্ৰৰ বানে সত্ৰখনৰ ভূমি খহাই নিয়াত ১৭৮২ চনত যোৰহাট পশ্চিম অঞ্চলৰ পানীচকুৱাৰ কৈৱৰ্ত ৰাজহ গাঁৱলৈ মায়ামৰা পুৰণিমাটি সত্ৰখন স্থানান্তৰ কৰি তেতিয়াৰ পৰা পৰিচালনা কৰি আছে। পৰমানন্দ গোস্বামী পুৰণিমাটি সত্ৰখনৰ প্ৰথমগৰাকী সত্ৰাধিকাৰৰূপে অধিষ্ঠিত হয়। পলাশগুৰিত ৪ গৰাকী, পুৰণিমাটিত ১২ গৰাকী সত্ৰাধিকাৰ ইতিমধ্যে বৈকুণ্ঠগামী হ'ল। প্ৰতি বছৰে আঘোণৰ পূৰ্ণিমাত সত্ৰাধিকাৰসকলৰ সমাধি ক্ষেত্ৰত থান উৎসৱ পালনৰ লগতে আঘোণৰ ন-চাউলৰে মিঠৈ কৰি নৈবেদ্যসহ আগবঢ়াই নাম-কীৰ্তনৰ লগতে মৃদংগীয়া গায়ন-বায়নৰে ভকত-বৈষ্ণৱ, আইসকলে বৈকুণ্ঠগামী সত্ৰাধিকাৰসকলৰ প্ৰতি শ্ৰদ্ধা জনাই আহিছে। ৩২৯ সংখ্যক থান সেৱাৰ লগতে ন-লগোৱা উৎসৱ আজি সত্ৰখনত অনুষ্ঠিত কৰা হয়। সত্ৰৰ শিষ্য-প্ৰশিষ্যসকলৰ উপৰি বহুসংখ্যক লোকে এইউৎসৱত অংশগ্ৰহণ কৰাত পুৱাৰে পৰা পুৰণিমাটি এলেকাত আধ্যাত্মিক পৰিৱেশনৰ সৃষ্টি হয়। বহুসংখ্যকে ধূপ-দীপ জ্বলাই সত্ৰখনলৈ লোণ (নিমখ)ৰ পেকেটৰ সৈতে অৰিহণা আগবঢ়ায়। যোৰহাট, গোলাঘাটৰ উপৰি ভালেকেইখন জিলাৰ পুৰণিমাটি সত্ৰৰ শিষ্যসকলে পৃথককৈ সমাজ পাতি সত্ৰৰ গাঁওবুঢ়াসকলৰ নেতৃত্বত সমূহীয়াকৈ উপস্থিত হৈ এই কাৰ্য ৰূপায়ণ কৰে। সত্ৰখনৰ সত্ৰাধিকাৰ ভবানন্দ দেৱগোস্বামী, অৰুণ চৰণানন্দ দেৱগোস্বামী, ৰমানন্দ দেৱগোস্বামী, বাসুদেৱানন্দ দেৱগোস্বামীয়েও অংশগ্ৰহণ কৰি ভকত-বৈষ্ণৱ, আইসকলৰ লগতে অন্য সম্প্ৰদায়ৰ লোক দৰ্শনাৰ্থীসকলক আশীৰ্বাদ প্ৰদান কৰে। থান উৎসৱৰ লগতে ন-লগোৱা কাৰ্যৰ সফল ৰূপায়ণত বিশেষ সহযোগিতা কৰে মায়ামৰা পুৰণিমাটি সত্ৰৰ (মূলৰ) কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক সেবিন বৰা প্ৰমুখ্যে বিষয়ববীয়া আৰু সদস্যসকলে।

# মানৱ দৰদী জীৱন চুতীয়ালৈ 'ভাৰতীয় গৌৰৱ সন্মান-২০২৫' বঁটা

**অসম বাৰ্তা, ধনশিৰি, ৫ ডিচেম্বৰ ঃ** সৰুপথাৰ সমজিলাৰ মানৱ দৰদী ব্যক্তি জীৱন চুতীয়াক "ভাৰতীয় গৌৰৱ সন্মান ২০২৫" বঁটা প্ৰদান। মহাত্মা গান্ধী গ্ল'বেল পিচ ইণ্ডিয়া ফাউণ্ডেশ্যন নামৰ এটি সংস্থাই যোৱা মঙ্গলবাৰ ২নৱেম্বৰ তাৰিখে গুৱাহাটী শিল্পগ্ৰামত আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সমাজকৰ্মী জীৱন চুতীয়াক এই বঁটা প্ৰদান কৰে। সেৱাৰ মনোভাৱেৰে জীৱন চুতীয়াই সৰুপথাৰ সমষ্টিত বহু বছৰ ধৰি অৱিৰতভাৱে বিভিন্ন সামাজিক কামকাজ কৰাৰ লগতে আৰ্তজনক সহায় কৰি আহিছে। ইয়াৰ উপৰি তেওঁ প্ৰতিবছৰে বান পীড়িত লোকক খাদ্য সামগ্ৰী, প্ৰয়োজনীয় ঔষধ পাতি, আৰ্থিক সাহায্য প্ৰদানকে ধৰি বানপীড়িত কৃষক ৰাইজক কঠীয়া যোগান ইত্যাদি বহুতো সহায়ৰ হাত আগবঢ়াই গৈছে। তেখেতৰ এই সামাজিক কামকাজৰ প্ৰতি আকৃষ্ট হৈয়ে মহাত্মা গান্ধী গ্ল'বেল পিচ ইণ্ডিয়া ফাউণ্ডেশ্যন নামৰ সংস্থাটোৱে এই বঁটা আগবঢ়াইছে। সম্প্ৰতি জীৱন চুতীয়াই সৰুপথাৰ সমষ্টিত "ধনশ্ৰী নিৰ্মাণ গোট" নামেৰে এটি গোট জন্ম দি গোটটোৰ জৰিয়তে বিভিন্ন সামাজিক উন্নয়নমূলক কাম কৰি আছে। শেহতীয়াকৈ তেওঁ যোৱা ১৮নৱেম্বৰ তাৰিখ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিনটোৰে পৰা সৰুপথাৰ সমষ্টিৰ ৰাইজৰ মাজত জুবিন গাৰ্গৰ স্মৃতি সজীৱ কৰি ৰাখিবৰ বাবে "নাহৰ য'ত, জুবিন তত" নামেৰে এটি কাৰ্যসূচী গ্ৰহণ কৰি সৰুপথাৰ সমষ্টিৰ প্ৰতিটো ঘৰ আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত একোটিকৈ নাহৰ পুলি ৰোপণ কৰাৰ কাম চলাই নিছে। তেখেতে "ভাৰতীয় গৌৰৱ সন্মান-২০২৫" বঁটা পাবলৈ সক্ষম হোৱাত তেখেতৰ সকলো শুভাকাংক্ষী গৌৰৱান্বিত হৈ পৰিছে আৰু তেওঁক অভিনন্দন জ্ঞাপন কৰিছে।

# গাঁৱে-গাঁৱে ভোটাৰৰ জনমত বিচাৰি ভোটাৰ পদূলিত ৰাইজৰ দলৰ প্ৰতিনিধি ধিং সমষ্টিত ২০২৬ৰ নিৰ্বাচনৰ আনুষ্ঠানিক প্ৰচাৰ ৰাইজৰ দলৰ

**অসম বাৰ্তা, মৈৰাবাৰী, ৫ ডিচেম্বৰ ঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি ধিং সমষ্টিত ৰাইজৰ দল সাজু। গাঁৱে গাঁৱে ভোটাৰৰ জনমত বিছাৰি ভোটাৰ পদূলিত ৰাইজৰ দলৰ প্ৰতিনিধি। বিৰুধী মিত্ৰতা চুৰান্ত হোৱাৰ পাছতে নগাঁও জিলাৰ ধিং সমষ্টিত সক্ৰীয় ৰাইজৰ দল। সভাপতি অখিল গগৈয়ে কোৱা মতেই এক প্ৰকাৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে সাজু ৰাইজৰ দলৰ দলীয় কৰ্মী। বৃহস্পতিবাৰে একপ্ৰকাৰ অনুষ্ঠানিক প্ৰচাৰ আৰম্ভ ৰাইজৰ দলৰ। ধিং সমষ্টিৰ ৰাইজৰ দলৰ কেন্দ্ৰীয় মুখপাত্ৰ মেহবুব মুক্তাৰৰ নেতৃত্বত বাইক ৰেলিৰে গাঁৱে গাৱে ভোটাৰৰ মতামত গ্ৰহণ। বিশেষকৈ ধিং সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা দহখন গাঁৱৰ ৰাইজৰ মাজতো দলটোৱে নিজৰ নীতি-আদৰ্শ, উন্নয়নমূলক দলীয় পৰিকল্পনা প্ৰচাৰ কৰি ভোটাৰক আকৃষ্ট কৰাৰ চেষ্টা কৰিছে। প্ৰচাৰত নামি প্ৰথম খোজতে ৰাইজৰ দলৰ নেতা মেহবুব মুক্তাৰে ৰাইজৰ ঘৰে ঘৰে উপস্থিত হৈ অভাৱ অভিযোগৰ বুজ লোৱাৰ প্ৰয়াস কৰে। আজিৰ প্ৰচাৰত মুক্তাৰক সংগ দিয়ে- জাতীয় যুৱ বাহিনীৰ কেন্দ্ৰীয় সম্পাদক খাইৰুল ইছলাম, সমষ্টি সমিতিৰ সভাপতি শ্বৰীফ উদ্দীন আহমেদ, সম্পাদক মোকচিদুল ইছলাম, সংখ্যালঘু কোষ সমিতিৰ সভাপতি হবিবোৰ ৰহমান ফকীৰ, জাতীয় যুৱ বাহিনীৰ সমষ্টি সভাপতি আছাদুল ইছলাম আৰু অন্যান্য বহু নেতা কৰ্মীয়ে। সমষ্টি ভাগ বতৰাৰ আগতেই ৰাইজৰ দলে বিভিন্ন সমষ্টিত নিজৰ প্ৰচাৰ চলোৱাৰ লগতে গঢ়ি তুলিব বিছাৰিছে বিজেপি বিৰোধী ঢৌ। পূৰ্বে এ আই ইউ ডি এফৰ দখলত থকা সমষ্টি টোত ৰাইজৰ দলে নিজৰ জনমত সবল কৰাত যৎপৰোনাস্তি চেষ্টা কৰিছে। ৰাইজৰ দলৰ এনে উত্থানে ধিং সমষ্টিত এ আই ইউ ডি এফৰ ২০ বছৰীয়া ৰাজত্বৰ অৱসান ঘটাব পাৰিবনে সেয়া সময়ে নিৰ্ধাৰণ কৰিব।

**মুখ্যমন্ত্ৰীৰ বলিষ্ঠ পদক্ষেপত নগাঁও-বটদ্ৰৱা সমষ্টিয়ে নতুন ৰূপ লাভ কৰিছেঃ বিধায়ক ৰূপক শৰ্মা**

# নগাঁৱত একেদিনাই ১২টা পথৰ আধাৰশিলা বিধায়ক ৰূপক শৰ্মাৰ



**অসম বাৰ্তা, নগাঁও, ৬ ডিচেম্বৰ ঃ** নগাঁও-বটদ্ৰৱা সমষ্টিত কোনো কেঁচা পথ নাথাকিব। সকলো পথ পকী হোৱাৰ লগতে এটা জাকতজিলিকা সমষ্টি ৰূপে গঢ় দিবলৈ যিমান কষ্ট কৰিব লাগে কৰিবলৈ বিধায়ক হিছাপে আমি বদ্ধপৰিকৰ। এই মন্তব্য নৱগঠিত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ। আজি নগাঁও-বটদ্ৰৱা সমষ্টিৰ ১২টাকৈ নতুন পকি পথৰ আধাৰশিলা স্থাপন কৰি বিধায়ক শৰ্মাই লগতে আৰু কয় যে দ্ৰুত উন্নয়নৰ বাবে সমষ্টিটোৰ বিধায়ক হিচাপে তেওঁ তৎপৰতা অব্যাহত ৰাখিছে আৰু অনাগত দিনতো সকলোৰে সহযোগিতাত সহায়ৰ হাত আগবঢ়াই যাব। সমষ্টিটো আৰু অধিক তৰান্বিত কৰাৰ লক্ষ্যৰে আজি কাছমাৰী জিলা পৰিষদ সমষ্টিৰ অন্তৰ্গত তথা লোক নিৰ্মাণ বিভাগৰ বটদ্ৰৱা সংমণ্ডলৰ অধিনস্থ মুঠ ১২টা নতুন পকি পথৰ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে বিধায়ক ৰূপক শৰ্মাই। আধাৰশিলা স্থাপন কৰি দিয়া ভাষণত বিধায়ক শৰ্মাই মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ কাৰ্যকালত ৰাজ্যখনৰ আন-আন সমষ্টিৰ লগতে নগাঁও-বটদ্ৰৱা সমষ্টিৰো দ্ৰুত উন্নয়ন হৈছে বুলি উল্লেখ কৰি তেওঁ কয় নগাঁও সদৰ সমষ্টিক ৰাজ্যখনৰ ভিতৰতে জাকত জিলিকা সমষ্টি হিচাবে গঢ়ি তুলিবলৈ প্ৰয়াস কৰা হৈছে। আমাৰ চৰকাৰৰ কাৰ্যকালত সমষ্টিটোৰ ৰাস্তা-ঘাট, পকি দলং, চিকিৎসাৰ ক্ষেত্ৰত হাস্পতালতকে ধৰি আন্তঃগাঁথনি উন্নয়নৰ পদক্ষেপ লোৱা হৈছে। বিধায়ক শৰ্মাই ৰাইজক উদ্দেশ্যি আৰু কয়- বহুতে ভাবিব পাৰে নিৰ্বাচন সমাগত গতিকে এইদৰে আধাৰশিলাৰ কাম কৰিছে। কিন্তু আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উন্নয়ন ৰাজনীতি কৰিছে আৰু উন্নয়নৰ ধাৰা অব্যাহত থাকিব। এই অঞ্চলৰ ৰাইজে আজি মোলৈ আবেদন নকৰাকৈয়ে এই পথ সমূহৰ বাবে আঁচনি তৈয়াৰ কৰি আমি উন্নয়ন কৰিছো। আমি উন্নয়নৰ জৰিয়তে ৰাইজৰ মাজলৈ আহিছো। এইয়া আগতে বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত আছিল যদিও বৰ্তমান সমষ্টি পুনৰ গঠনৰ পাছত নগাঁও- বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত হোৱাত ৰাইজৰ উপকাৰ হৈছে। মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি আৰু পথ নবীকৰণ আঁচনিৰ অধীনত নগাঁও-বটদ্ৰৱা সমষ্টিত প্ৰায় ৩০ কোটি টকা ব্যয় সাপেক্ষে এই পথ সমূহৰ নিৰ্মাণ কৰাৰ বাবে আজি ১২টা পথৰ আধাশিলা স্থাপন সম্পন্ন হয়। আজি আধাৰশিলা সম্পন্ন হোৱা পথকেইটা হ'ল ক্ৰমে- কাছমাৰী পথৰ পৰা টোকোৰাবাহী সংযোগী পথ, ফুলনিআটিৰ পৰা টোকোৰাবাহী গাওঁ সংযোগী পথ, ডিমৌ ৰাইডঙীয়া পথৰ পৰা ক্ষেত্ৰিগাঁৱলৈ নিৰ্মাণ হ'বলগীয়া পথ, জাজৰি জাতীয় বিদ্যালয়ৰ পৰা হীৰা গাওঁ সংযোগী পথ, মাজ জাজৰিৰ পৰা মাজগাঁৱলৈ সংযোগী পথ, মাজগাঁৱৰ পৰা মায়াবজাৰলৈ যোৱা পথৰ উন্নয়ন, মায়াবজাৰৰ পৰা মাজগাঁও শ্মশান সংযোগী পথ, ডিমৌ ৰাইডঙীয়া পথৰ পৰা বৰডুবিয়া সংযোগী পথ, ৰামজাম আলী ঘৰৰ পৰা দিপেন বৰদলৈ ঘৰ সংযোগী পথ, মাজগাঁও শান্তিপুৰ পথৰ পৰা ২নং নসত্ৰ সংযোগী পথ, শ্যামকলীয়া পথৰ পৰা ২ নং আদৰ্শগাঁৱলৈ সংযোগী পথ আৰু শ্যামকলিয়া পথৰ পৰা ১ নং আৰ্দশগাঁও সংযোগী পথ। নগাঁও-বটদ্ৰৱা সমষ্টিত আজিকে ধৰি পৰৱৰ্তী সময়চোৱাত সৰ্বমুঠ ৫৩টা নতুন পথ পকীকৰণৰ কাম হাতত লোবা হৈছেবুলি জানিব পৰা গৈছে।

# মাকুম পথত এটা চোৰৰ এখন চলন্ত বাহনৰ সামগ্ৰী চুৰি কৰিবলৈ চেষ্টা

**অসম বাৰ্তা, মাকুম, ৫ ডিচেম্বৰ ঃ** মাকুম ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত এজন চোৰৰ মৰ সাহ, বোলছবিৰ কায়দাৰে চুৰি কাৰ্য সংঘটিত কৰিবলৈ চেষ্টা। বোলছবিত দেখুওৱাৰ দৰে এখন চলন্ত সামগ্ৰী ভৰ্তি ছ'টা হাঠি বাহনৰ পাছফালে উঠি সামগ্ৰী চুৰি কৰিবলৈ অহৰহ চেষ্টা, চুৰি কৰিবলৈ চেষ্টা চলাই থকাৰ দৃশ্য মোবাইলৰ কেমেৰাত বন্দী। জানিবলৈ পৰা মতে আজি সন্ধ্যা মাকুম টেঙাপানী গড়বস্তি গাঁৱৰ বলৰাম শ্বাহ নামৰ গেলামালৰ ব্যৱসায়ী জনে তিনিচুকীয়া চাইডিং বজাৰৰ পৰা দোকানৰ বাবে সামগ্ৰী ক্ৰয় কৰি এখন ছ'টা হাঠি বাহনত লৈ অহাৰ সময়ত তিনিচুকীয়া থাৰমেলৰ পৰা চুৰটোৱে মনে মনে চলন্ত বাহনখনত উঠি সামগ্ৰী বন্ধা ৰচী ব্লেডেৰে কাটিব লওঁতে বাহন খনৰ পাছফালে আহি থকা এখন বাহনৰ গৰাকীজনে চুৰি কৰিবলৈ চেষ্টা চলাই থকাৰ দৃশ্য মোবাইলত বন্দী কৰাৰ লগতে ছ'টা হাঠি বাহন খনৰ চালক জনক অৱগত কৰাত চোৰটোক ধৰিবলৈ সক্ষম হয়। ধৃত চোৰটোৰ নাম তিনিচুকীয়া চিৰাপট্টিৰ ৰামাশীষ মাহত্ব (২৫)। পৰৱৰ্তী পৰ্যায়ত চোৰটোক স্থানীয় লাংকাছি আৰক্ষী চকীত গতাই দিয়া হয়।

# বান্দৰদেৱাৰ ডিক্ৰং নদীৰ পাৰৰ চৰকাৰী ভূমি বে দখল মুক্ত কৰাৰ দাবী খেৰাজখাত সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ৫ ডিচেম্বৰ ঃ** অসম চৰকাৰে যি সময়ত চৰকাৰী ভূমি বে দখল মুক্ত কৰাৰ অভিযান চলাই আহিছে যদিও বৰ্তমান সময়ত বহু চৰকাৰী ভূমি এতিয়াও বে দখল হৈ আছে। বিশেষকৈ লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী বান্দৰদেৱাৰ ডিক্ৰং নদীৰ পাৰত থকা চৰকাৰী ভূমিত আজি বহু বছৰ ধৰি কিছুমান আছিনাক্ত মানুহ আহি পকী ঘৰ সাজি বসবাস কৰি আছে। তদুপৰি উক্ত অঞ্চলটোত এতিয়া দিনে ৰাতিয়ে অ সামাজিক কাৰ্যকলাপৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত হৈছে। ফলত উঠি অহা নতুন প্ৰজন্ম ধ্বংসৰ মুখলৈ গতি কৰিছে। সেয়েহে বান্দৰদেৱাৰ ডিক্ৰং নদীৰ পাৰত চৰকাৰী ভূমিত বসবাস কৰি থকা লোক সকলক উচ্ছেদ কৰি শান্তিৰ পৰিবেশ সৃষ্টি কৰিবলৈ চৰকাৰক দাবী উত্থাপন কৰে। আজি খেৰাজখাত সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সম্পাদক ক্ৰমে চন্দন হাজৰিকা আৰু জ্যোতি ৰঞ্জন নেওগে এক প্ৰেছ বিজ্ঞপ্তি জৰিয়তে বিষয়টি সংবাদ মাধ্যমৰ যোগেদি অসম চৰকাৰক বিহীত ব্যৱস্থা গ্ৰহণৰ বাবে দৃষ্টিগোচৰ কৰে।

### বগাপানী চাহ বাগিচা ফুটবল দলৰ শ্ৰেষ্ঠতা অৰ্জন

# টিংৰাই আছুৰ ৩৯ সংখ্যক শ্বহীদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি

**অসম বাৰ্তা, ডিগবৈ, ৬ ডিচেম্বৰ ঃ** ছবছৰীয়া বিদেশী বহিষ্কাৰ অসম আন্দোলনত শ্বহীদ বৰণ কৰা জাতীয় বীৰ শ্বহীদসকলৰ পবিত্ৰ সোঁৱৰণত টিংৰাই শাখা ছাত্ৰ সন্থাৰ উদ্যোগত স্থানীয় টিংৰাই ৰাজহুৱা খেলপথাৰত যোৱা ২৩ নৱেম্বৰ পৰা অনুষ্ঠিত হোৱা ৩৯ সংখ্যক শ্বহীদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ যোৱা ৩০ নৱেম্বৰত সফল সামৰণি পৰে। জিলাখনৰ কেইবাটাও আগশাৰীৰ ফুটবল দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলত বগাপানী চাহ বাগিচাৰ ফুটবল দলে টিংৰাই মুণ্ডা স্পৰ্টচ ক্লাব ফুটবল দলক ট্ৰাইবেকাৰৰ যোগেদি ৪-২ গলৰ ব্যৱধানত পৰাজিত কৰি চেম্পিয়ন দলৰ খিতাপ অৰ্জন কৰে। নিৰ্ধাৰিত সময়ত গল শূন্যভাৱে খেলখন অন্ত পৰাত ৰেফাৰীয়ে ফলাফলৰ বাবে ট্ৰাইবেকাৰৰ সহায় লয়। ফলত বগাপানী দলে ৪টা আৰু টিংৰাই দলে ২ টাত সফল হোৱাত প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখনত বগাপানী দলে জয়লাভ কৰিবলৈ সক্ষম হয়। চূডান্ত খেলখনৰ প্ৰাকমুহূৰ্তত জাতীয় শ্বহীদসকলৰ সোঁৱৰণত এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। খেলখন উদ্বোধন কৰে আছুৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক সমৰজ্যোতি গোহাঁয়ে। খেলৰ পূৰ্বে অভ্যৰ্থনা সমিতিৰ সভাপতি ব্ৰজেন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়া, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওঁগ, সাধাৰণ সম্পাদক কনচেং গগৈ, উপদেষ্টা বিতু ডেকা, ৰণ্টু বৰশইকীয়া, বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়া, আন্ত: ৰাষ্ট্ৰীয় পাঞ্জা খেলুৱৈ যোগেন পাটোৱাৰী, বিশিষ্ট চিকিৎসক ডা: ভৱেন তালুকদাৰ, সামাজসেৱক তথা শিক্ষাবিদ মাখন শৰ্মা, অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰেমধৰ ফুকন, শিক্ষয়িত্ৰী বীণাৰাণী দেৱী, পিংকী কোঁৱৰ, সমাজসেৱিকা অনিমা শইকীয়া, শিক্ষক মানস গগৈ, টিংৰাই আছুৰ প্ৰাক্তন সভাপতি ডেভিদ ৰাজখোৱা, জিলা বিষয়ববীয়াকে আদি কৰি বহুসংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানত অঞ্চলটোৰ প্ৰাক্তন তিনিগৰাকী ফুটবল খেলুৱৈ ক্ৰমে মাধুৰ্য কাকতি, বাপুকণ বৰুৱা আৰু ৰাজেশ পাছীক অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা গামোচা, চেলেং, সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে অতিথিসকলে। একেটা অনুষ্ঠানতে আন্ত: ৰাষ্ট্ৰীয় পাঞ্জা খেলুৱৈ ডিগবৈৰ যোগেন পাটোৱাৰীক সম্বৰ্ধনা পত্ৰ, গামোচা, চেলেঙেৰে টিংৰাই আছুৰ তৰফৰ পৰা ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদক টংকেশ্বৰ শইকীয়াই আঁত ধৰা অনুষ্ঠানত বিজয় দলক ট্ৰফীসহ নগদ পোন্ধৰ হাজাৰ টকা আৰু বিজিত দলক ট্ৰফীসহ নগদ দহ হাজাৰ টকা প্ৰদান কৰা হয়। লগতে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ বঁটা তুষাৰ ভূমিজ (টিংৰাই) শ্ৰেষ্ঠ গলৰক্ষক বিকি নাগ (বগাপানী), শ্ৰেষ্ঠ খেলুৱৈ ফাইনেলৰ মেনুৱেল মুড়া ( বগাপানী) আৰু শ্ৰেষ্ঠ গলদাতা ৰফিক মুড়া (বগাপানী) ক ট্ৰফীসহ নগদ এহেজাৰকৈ টকা প্ৰদান কৰা হয়।

# শিক্ষাসেতু এপত উৎসাহজনক উপস্থিতি প্ৰদৰ্শনৰ বাবে শোণিতপুৰ জিলাৰ ২১খন বিদ্যালয়ক প্ৰশাসনৰ মানপত্ৰ প্ৰদান



**অসম বাৰ্তা, তেজপুৰ সদৰ, ৬ ডিচেম্বৰ ঃ** আধাতে বিদ্যালয় এৰা অৰ্থাৎ শিক্ষানুষ্ঠানসমূহত ড্ৰপআউটৰ পৰিমাণ হ্ৰাস কৰি গুণগত শিক্ষাৰে জিলাখনৰ শোণিতপুৰৰ জিলা আয়ুক্তগৰাকীয়ে নিজাববীয়াকৈ বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। জিলা আয়ুক্তই এই প্ৰয়াসৰ অংশ হিচাপে শিক্ষাসেতু এপত উৎসাহজনক উপস্থিতি প্ৰদৰ্শন কৰা বিদ্যালয় কৰ্তৃপক্ষক বিশিষ্ট শিক্ষাবিদৰ উপস্থিতিত আনুষ্ঠানিকভাৱে মানপত্ৰ প্ৰদানেৰে উদ্বুদ্ধ কৰি অহা বিগত সময়ৰ কাৰ্যসূচীৰ পিছত যোৱা কালি বিয়লি জিলা আয়ুক্তৰ সম্মিলন কক্ষত আয়োজন কৰা এক বিশেষ অনুষ্ঠানত জিলাখনৰ চাৰিটা শিক্ষা খণ্ডৰ ২১খন বিদ্যালয়ৰ কৰ্তৃপক্ষক মানপত্ৰৰে উদ্বুদ্ধ কৰে। উল্লেখ্য যে ৯৯ শতাংশ উপস্থিতিৰ পৰা প্ৰায় ৬০ শতাংশ উপস্থিতি প্ৰদৰ্শন কৰা বিদ্যালয়সমূহক মানপত্ৰ প্ৰদান কৰা আজিৰ অনুষ্ঠানটিত নিৰ্দিষ্ট বক্তা ৰূপে অংশ গ্ৰহণ কৰি দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়াই দেশৰ ভিতৰতে প্ৰথমবাৰৰ কাৰণে অসমৰ শিক্ষানুষ্ঠানসমূহত প্ৰযোজ্য কৰা শিক্ষাসেতু এপে বিদ্যালয়সমূহৰ ড্ৰপআউটৰ পৰিমাণ উৎসাহজনকভাৱে হ্ৰাস কৰাৰ তথ্য সদৰী কৰে। বৰ্তমান সময়ত সকলো ব্যৱস্থা ই-পদ্ধতিৰে হোৱাত তাৎক্ষণিকভাৱে সকলো তথ্য লাভ কৰিব পৰা হোৱাত বহু সমস্যা দূৰ হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অধ্যক্ষ ড° পলাশমণি শইকীয়াই শিক্ষাৰ্থীৰ নিয়মীয়া উপস্থিতিৰ দিশটোতে বিদ্যায়তনিক উৎকৰ্ষ সাধনৰ মূল কথা জড়িত হৈ থাকে বুলি কৈ এই প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়োৱা বিদ্যালয়সমূহক অনুপ্ৰাণিত কৰা জিলা আয়ুক্তগৰাকীৰ পদক্ষেপে নিশ্চিতভাৱে বিদ্যালয়সমূহৰ মাজত এক প্ৰতিযোগিতাৰ মনোভাৱ গঢ়ি তুলিব বুলি কয়। আনহাতে, জিলাখনৰ চাৰিওটা শিক্ষা খণ্ডৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়াসকলৰ লগতে সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া কৃষ্ণ কান্ত ডেকা, বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক নিলোৎপল শৰ্মা আদি উপস্থিত থকা অনুষ্ঠানটিত জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে উপস্থিত প্ৰধান অধ্যক্ষ, শিক্ষা বিষয়া আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলক জিলাখনৰ শৈক্ষিক উন্নয়নৰ বাবে মাৰ্গদৰ্শন কৰি আগবঢ়োৱা ভাষণত ৰাজ্যখনৰ সকলো জিলাৰ ভিতৰত শোণিতপুৰ জিলাক শৈক্ষিক ক্ষেত্ৰত কেনেকৈ সৰ্বোচ্চ স্থানলৈ আনিব পাৰি তাৰ প্ৰতি লক্ষ্য ৰাখি সেৱাৰ মনোভাৱেৰে বিদ্যালয় চলোৱা সকলোকে অনুপ্ৰাণিত কৰিবলৈ প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছেবুলি কয়। চিকিৎসা ক্ষেত্ৰখনত জড়িত হোৱা সকলক যেনেদৰে বৃত্তি বুলি নকৈ সেৱা বুলি অভিহিত কৰা হয়, একেদৰে শিক্ষকতাও যিহেতু পবিত্ৰ সেৱা সেয়েহে শিক্ষক-শিক্ষয়িত্ৰী সকলে শিক্ষকতাক বৃত্তি বুলি নাভাবি যেতিয়া সেৱা হিচাপে গ্ৰহণ কৰে তেতিয়া ৰাজ্যখনৰ শৈক্ষিক মানো নিশ্চিতভাৱে উন্নত হ'ব বুলি কয়। এগৰাকী চিকিৎসকে জীৱনত বহু ৰোগীৰ চিকিৎসা কৰি সেই ৰোগী সকলক পাহৰি গ'লেও বিশেষ গুণৱান চিকিৎসকসকলক তাৰ ভিতৰৰে বহু ৰোগীয়ে জীৱনভৰ মনত ৰাখি প্ৰতিটো মুহূৰ্তত সেই চিকিৎসকজনক স্মৰণ কৰাৰ দৰে প্ৰত্যেক ব্যক্তিৰে জীৱনত একোগৰাকী আদৰ্শ শিক্ষকে বিশেষ প্ৰভাৱ পেলাই বুলি কয়। আজিৰ এই অনুষ্ঠানটিত মানপত্ৰ গ্ৰহণ কৰা প্ৰত্যেকটো শিক্ষা খণ্ডৰ দ্ এগোৰাকীকৈ প্ৰধান শিক্ষক আৰু শিক্ষয়িত্ৰীয়ে এই কৃতিত্ব কেনেদৰে সম্ভৱ দু হ'ল তাক সদৰী কৰে। উল্লেখ্য যে অনুষ্ঠানটিত বালিপৰা শিক্ষা খণ্ডৰ অতি প্ৰ প্ৰত্যন্ত অঞ্চলৰ উৰহীলগা চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ একমাত্ৰ শিক্ষয়িত্ৰী গৰাকীয়ে নিজৰ চেষ্টাৰ বলত বিগত সময়ত কেনেদৰে ৯৮ শতাংশ উপস্থিতিপ্ৰন প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল সেই কথা অৱগত কৰি সকলোকে উদ্বুদ্ধ কৰে।

# যুৱ নেতা ভৱেন্দ্ৰ দাসক ভাৰত মজদুৰ কৃষক সংগঠন দাতব্য সংস্থাৰ যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি নিযুক্তি

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ ডিচেম্বৰ ঃ** ভাৰত চৰকাৰে পঞ্জীয়ন কৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয়ভাৱে স্বীকৃত সামাজিক সংগঠন ভাৰত মজদুৰ কৃষক সংগঠন দাতব্য সংস্থা (BMKS), যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে অসমৰ কৰ্মোদ্যমী যুৱ নেতা ভৱেন্দ্ৰ দাসক নিযুক্তি প্ৰদান কৰা হৈছে। এই



নিযুক্তি সংগঠনৰ পৰিষদৰ এক সাংগঠনিক বৈঠকত একমততে গৃহীত হৈছিল আৰু ইয়াক তিনিবছৰৰ বাবে ততালিকে কাৰ্যকৰী কৰা হৈছে। NGO দৰ্পণ (নীতি আয়োগ)ত পঞ্জীয়িত সংগঠনৰ পঞ্জীয়নৰ নম্বৰ হৈছে HP/2024/0431803 আৰু সদস্য নম্বৰ BMKSI18235311371। এই দায়িত্বৰে ভৱেন্দ্ৰ দাসক যুৱক সকলক একত্ৰিত কৰাৰ লগতে সমাজিক, অৰ্থনৈতিক আৰু বিকাশমূলক কাৰ্যসূচী গ্ৰাহকলৈ পঠিয়াবৰ দায়িত্ব প্ৰদান কৰিছে। নতুন ভূমিকাত ভৱেন্দ্ৰ দাসে সম্পূৰ্ণ নিৰপেক্ষ আৰু নিষ্ঠাৰে কাম কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁৰ দ্বায়িত্বত যুৱকসকলক প্ৰেৰণা যোগোৱা, চৰকাৰী আৰু প্ৰশাসনিক আঁ-চনি সকলো পৰিয়াল আৰু ব্যক্তিলৈ প্ৰসাৰ কৰা আৰু সংগঠনৰ বিশ্বাসযোগ্যতা মানুহৰ মাজত মজবুত কৰাৰ বাবে থাকিব। সংগঠনৰ তৰফৰ পৰা ভৱেন্দ্ৰ দাসক এই দায়িত্ব গ্ৰহণৰ বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছে। তদুপৰি সংগঠনৰ যুব মৰ্চা তেওঁৰ নেতৃত্বত সমাজিক ভাবে শক্তিশালী হব বুলিও আশা প্ৰকাশ কৰিছে। এই নিযুক্তিয়ে ভাৰত মজদুৰ কৃষক সংগঠন দাতব্য সংস্থাৰ সমাজ সেৱা ব্যাপকভাৱে আগবঢ়াই নিব আৰু প্ৰতিজন নাগৰিকক দেশৰ মুখ্যধাৰা বিকাশৰ সৈতে জড়িত কৰিব বুলি বিশ্বাস প্ৰকাশ কৰিছে সংগঠনটোৰ কেন্দ্ৰীয় নেতৃত্বই।

**আমি থলুৱা ভাষাৰ প্ৰচাৰ-প্ৰসাৰৰ কাম কৰিব লাগিব ঃ প্ৰধান সম্পাদক দেৱজিৎ বৰা**

# ঢেকীয়াজুলিৰ সাংবাদিক হৰেণ ভূমিজৰ অনুসন্ধান শীৰ্ষক গ্ৰন্থ উন্মোচন




**অসম বাৰ্তা, শিঙৰী, ৫ ডিচেম্বৰ ঃ** ঢেকীয়াজুলি প্ৰেছ ক্লাবৰ সম্পাদক তথা নিউজ 18 ৰ সাংবাদিক হৰেণ ভূমিজৰ "সমাজ, ধৰ্ম আৰু ঐতিহ্যৰ অনুসন্ধান" শীৰ্ষক গ্ৰন্থ উন্মোচনী সভাখন ৪ ডিচেম্বৰত চহৰ খনৰ ক্লাচিক ৰেষ্টুৰেণ্টত বিয়লি ৪ বজাত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত হৈ যায়। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই গ্ৰন্থখন উন্মোচন কৰি উন্মোচনী ভাষণত কয়, গ্ৰন্থই সমাজক ভাল বাৰ্তা দিয়ে। আমি গ্ৰন্থ অধ্যয়ন কৰিব লাগে। উদীয়মান লেখক হৰেণ ভূমিজৰ এই গ্ৰন্থই অসমীয়া ভাষা-সাহিত্যৰ ভৰাল শক্তিশালী কৰাৰ ক্ষেত্ৰত বৰঙনি যোগাব বুলি দেৱজিৎ বৰাই ভাষণত উল্লেখ কৰে। তেওঁ লগতে কয়, অসমীয়া ভাষাৰ লগতে ইয়াৰ সহযোগী ভাষা সমূহক শক্তিশালী কৰিব লাগিব। আমি থলুৱা ভাষাৰ প্ৰচাৰ-প্ৰসাৰৰ কাম কৰিব লাগিব। আমি দেউৰী ভাষা, কাৰ্বি ভাষা, চাদ্ৰি ভাষাৰ লগতে স্থানীয় সকলো ভাষা ক'বলৈ যত্ন কৰিব লাগিব বুলি বৰাই ভাষণত উল্লেখ কৰে। অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দুলাল নাথে আঁতধৰা সভাখনত বৰছলা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বুৱে বিশিষ্ট অতিথিৰ ভাষণ দিয়ে আৰু উদীয়মান লেখক হৰেণ ভূমিজক শুভেচ্ছা জনায়। সভাত লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড: শুকদেৱ অধিকাৰী, যুগল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বিশ্বজিত বড়ো, অসম বাৰ্তাজীৱী সংঘৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি নাৰায়ণ ফয়েলে বক্তব্য ৰাখে। সভাত ডুমডুমা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যাপক ড° কৰুণাকৰ পাণ্ডা, অৱসৰপ্ৰাপ্ত শিক্ষক ভোলাৰাম ৰাউতীয়া, আটছাৰ উপ-সভাপতি মোহন তাঁতী, শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক বিপুল কুমাৰ নাথ, অসম সাহিত্য সভাৰ সদস্য ভুৱন ছেত্ৰী, ৰমেণ ভড়ালী, চৈয়াদ মাৰুফ হুছেইন, ঢেকীয়াজুলি প্ৰেছক্লাবৰ সভাপতি ভগৱান বৈশ্য, ৰঙাপৰা প্ৰেছক্লাবৰ সভাপতি পংকজ নাথ, ছহিদ দ্বীজেন ভূএগা উচচ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ গোলোক বৰা, কেহেৰুখন্দা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অশোক কুৰ্মী, শোণিতপুৰ জিলা পৰিষদৰ সদস্য শিৱচৰণ চাহু, দুলুমণি বৰা, সমাজকৰ্মী বাটাচ ওৰাঙ, ডাঃ উমেশ চন্দ্ৰ দাস, লক্ষেশ্বৰ মিৰ্ধা, পবিত্ৰ কুমাৰ দাস, বগা তপ্ন, ফাৰহান জাৱেদ, জ্যোতিৰ্ময় বৰাৰ লগতে শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য যে সভাৰ আৰম্ভণিতে ৰিজু দেৱীৰ সুমধুৰ বৰগীত পৰিৱেশনে উপস্থিত শ্ৰোতাক মুগ্ধ কৰে।

# চৰাই পূজা, মহো-হোকলৈ উখল-মাখল তীৰ্থনগৰী হাজো



**অসম বাৰ্তা, হাজো, ৫ ডিচেম্বৰ ঃ** তীৰ্থনগৰী হাজোত অনুষ্ঠিত কৰি অহা চৰাই পূজাক লৈ হাজোৰ চৌদিশে এক উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। আঘোণমাহৰ পূৰ্ণিমা তিথিত নামনি অসমৰ অন্যতম লোক-উৎসৱ মহো-হো বা মহ-খেদা উৎসৱৰ পৰম্পৰাৰে সমগ্ৰ হাজোৰ শিশু-কিশোৰ, ডেকা ল'ৰাহতে হাতত টাঙোন লৈ গৃহস্তৰ ঘৰে-ঘৰে মহো-হো গীত গাই চাউল, নাৰিকল, টকা-পইচা বিচাৰি উথপথপ্ লগোৱাৰ সমান্তৰাল ভাৱে হাজোৰ কেইবাটাও অঞ্চলৰ কুমাৰী ছোৱালীবোৰে উলহ-মালহৰে চৰাই ব্ৰত বা চৰাই পূজা নামৰ অন্য এটি লোক-উৎসৱ পালন কৰে। উল্লেখযোগ্য যে একমাত্ৰ হাজোত অনুষ্ঠিত এই চৰাইব্ৰত অথবা চৰাই পূজা উপলক্ষে হাজো অঞ্চলৰ কুমাৰী ছোৱালীবোৰে এপখেক পূৰ্বৰে পৰা প্ৰস্তুতি চলায়। কুমাৰী ছোৱালী সকলে পথাৰৰ পলসুৱা মাটিৰে সৰু-সৰু চৰাই তৈয়াৰ কৰে। মাটিৰে তৈয়াৰী চৰাইবোৰ কেইবাদিন ধৰি ৰ'দত শুকুৱোৰ পিছতে চৰাইবোৰত চুন, পিঠাগুৰি, হালধি, পুঁৰৈ শাকৰ পকা গুটিৰ ৰস, উৰহী পাতৰ সেউজীয়া ৰঙ, চিয়াহী আদিৰে আটক ধুনীয়াকৈ প্ৰলেপ দিয়ে। এনে বিভিন্ন ৰঙৰ প্ৰলেপত প্ৰাণ পাই উঠা মাটিৰে তৈয়াৰী চৰাইবোৰ বাহৰ শলাত সংলগ্ন কৰি এডোখৰ ঘূৰণীয়া মাটিৰ ঢিপত গুজি সজাই থৈ দিয়ে। এনেদৰে প্ৰতিষ্ঠা কৰা কাৰ্য্যক হাজোৰ থলুৱা ভাষাত জুমুৰি বোলা হয়। এনে একোটা জুমুৰিত দহোটা-বাৰটাকৈ মাটিৰে তৈয়াৰী চৰাই সজাই ৰাখে। তদুপৰি এই চৰাইবোৰক প্ৰতিষ্ঠা কৰিবলৈ বাহ, কলপুলি, ৰঙীন কাগজৰ ফুলৰ মালাৰে আটক ধুনীয়াকৈ এটি সৰু মন্দিৰত স্থাপন কৰা হয়। য'ত চৰাইবোৰক ভাগে-ভাগে প্ৰতিষ্ঠা কৰি মাংগলিক ৰীতি-নীতিৰে চাকি-বন্তি, নৈবদ্য, ফল-ফুল, তামোল- পাণ আগবঢ়াই ৰঙীণ চৰাইবোৰক কুমাৰী ছোৱালীবোৰে পূজা-সেৱা কৰে আৰু এজন ভাল দৰা পোৱাৰ কামনা কৰে। সমগ্ৰ দিনটো উপবাসে থকাৰ অন্তত কুমাৰী ছোৱালীবোৰে সন্ধিয়া পৰত এই উৎসৱ উলহ-মালহৰে পালন কৰে। লোক বিশ্বাস অনুসৰি প্ৰভু ৰামচন্দ্ৰৰ পত্নী সীতাই জটায়ু পক্ষীৰ প্ৰতি পোন প্ৰথমে এই ভাগ পূজা আগবঢ়াইছিল। সেয়েহে এই চৰাই পূজাক কাত্যায়নী দেৱী বা পাৰ্বতী দেৱীৰ পূজা বুলিও কোৱা হয়। মূলত কুমাৰী ছোৱালী সকলে এজন ভাল স্বামী পোৱাৰ মানসেৰে এই চৰাই পূজা ভাগ কৰা হয় বুলি লোকবিশ্বাস আছে। প্ৰতি বছৰৰ আঘোণৰ পূৰ্ণিমাৰ স্নিগ্ধ জোনাকৰ পোহৰত হাজোৰ গায়নটোলা, পানীপাৰা, কৈৱৰ্ত টোলা আদিৰ উপৰিও ৰামদিয়া, কুলহাটী, ছাত্ৰশালী, মাজৰটোল, হিডালবড়ী, মনাহকুছি, সাতদলা, বাগটা, সোৱনচাহ, অভয়পুৰ, বামুণ্দী, ক্ষেত্ৰীহাৰদিয়া অঞ্চলৰ একাংশ কুমাৰী ছোৱালীয়ে এই চৰাইৰ পূজা অনুষ্ঠিত কৰে। এই সময়চোৱাত কুমাৰী ছোৱালী সকলে চৰাই পূজাৰ বিভিন্ন লোক সংগীত যেনে "অ'চৰে আমিও গেছিলো, অ'চৰে হাজোৰ গোসাঁই চাবা, বাটত বৰহানে পালা চৰে, সুমাবা কাৰ ঘৰে" আদি গীতৰে সমগ্ৰ পৰিৱেশ উখল-মাখল কৰি তোলে। যান্ত্ৰিকতাৰ ধাম-খুমীয়াৰ মাজতো পূৰ্বৰ পৰম্পৰাৰে অনুষ্ঠিত চৰাই ব্ৰত অথবা চৰাই পূজাই সমগ্ৰ হাজো অঞ্চলত এক উখল- মাখল পৰিৱেশৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে।

# নিৰ্বাকৰ উদ্যোগত অসমত প্ৰথমবাৰৰ বাবে "মূকাভিনয় সপ্তাহ"ৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ ডিচেম্বৰ ঃ** অসমৰ অন্যতম মূকাভিনয় আৰু সাংস্কৃতিক সংগঠন নিৰ্বাকে ভাৰতত প্ৰথম মূকাভিনয় সপ্তাহ উদযাপন কৰিছে। নিৰ্বাকৰ উদ্যোগত অসমত প্ৰথমবাৰৰ বাবে ১ ডিচেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ "মূকাভিনয় সপ্তাহ" অনুষ্ঠিত কৰা হৈছে। যুৱ প্ৰজন্মৰ বাবে পথ সুৰক্ষা" বিষয় লৈ এই মূকাভিনয় সপ্তাহ উদ্‌যাপন কৰিছে। এই মূকাভিনয় সপ্তাহৰ লক্ষ্য হৈছে মূকাভিনয় শিল্পৰ মাধ্যমেৰে যুৱ সমাজক পথ সুৰক্ষাৰ প্ৰতি সজাগ কৰা। মূকাভিনয় সপ্তাহ ২০২৫ৰ অংশ হিচাপে কামৰূপ জিলাৰ শৰাইঘাট কলেজত এই বিশেষ অনুষ্ঠান আয়োজিত কৰা হয়। অনুষ্ঠানত যুৱ মূকাভিনয় শিল্পী মিনাংক ডেকাৰ পৰিচালনাত নিৰ্বাক দলৰ বিশেষ পথ সুৰক্ষাৰ বিশেষ মূকাভিনয় প্ৰদৰ্শন কৰা হয়। শৰাইঘাট কলেজত আয়োজিত এই বিশেষ অনুষ্ঠানত উপস্থিত থাকে কামৰূপ জিলাৰ পৰিবহণ বিষয়া মনোজ চৌধুৰী, MVI জয়সিং ৰংফাৰ, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মা, অধিবক্তা তথা সমাজকৰ্মী চাৰ্জিবুল চৌধুৰী আৰু অৰূপ ডেকা। নিৰ্বাক গোষ্ঠীৰ এই বিশেষ পদক্ষেপৰ সকলোৱেই শলাগ লয়।

**হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ শিক্ষাৰ্থীক শৈক্ষিক সমল প্ৰদান**

# নামনি মাজুলীত পুথিভঁৰাল বৰ্ণবাক আৰু আত্মবীক্ষণ মঞ্চত আজি কিতাপৰ দিন উদ্‌যাপন

### কিতাপৰ সৈতে বন্ধুত্ব স্থাপন কৰিবলৈ আহ্বান মাজুলীৰ বিদ্যালয়সমূহৰ পৰিদৰ্শিকা লিপিকা বুঢ়াগোহাঞিৰ




**অসম বাৰ্তা, উজনী মাজুলী, ৬ ডিচেম্বৰ ঃ** নামনি মাজুলীৰ ভালুকমৰাস্থ পুথিভঁৰাল বৰ্ণবাক আৰু আত্মবীক্ষণ মঞ্চত আজি "কিতাপৰ দিন" উদ্‌যাপন কৰা হয়। পুথিভঁৰাল বৰ্ণবাক আৰু আত্মবীক্ষণ মঞ্চৰ সঞ্চালক যতীন্দ্ৰ নাথ মূদৈৰ পুত্ৰ বৰ্ণিল আকাশ মূদৈ আৰু কণ্যা বৰ্ণিষা মুদৈৰ শুভ জন্ম দিৱস উপলক্ষে আজি বিয়লি দুই বজাৰ পৰা কিতাপৰ দিন উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত নামনি মাজুলীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বহুতো শিক্ষাৰ্থীক শৈক্ষিক সমল প্ৰদান কৰা হয়। উক্ত "কিতাপৰ দিন" উপলক্ষে আজি বিয়লি ভালুকমৰাৰ পুথিভঁৰাল বৰ্ণবাক আৰু আত্মবীক্ষণ মঞ্চত এক সুন্দৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। বিয়লি দুই বজাৰ পৰা আৰম্ভ হোৱা উক্ত, কিতাপৰ দিন উদ্বোধন কৰে মাজুলীৰ বিদ্যালয়সমূহৰ পৰিদৰ্শিকা লিপিকা বুঢ়াগোহাঞিয়ে। পুথিভঁৰাল বৰ্ণবাক আৰু আত্মবীক্ষণ মঞ্চৰ সঞ্চালক যতীন্দ্ৰ নাথ মূদৈয়ে আঁত ধৰা উক্ত অনুষ্ঠানটো উদ্বোধন কৰি শিক্ষা বিষয়াগৰাকীয়ে ছাত্ৰ ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণা মূলক ভাষণ প্ৰদান কৰে। তেওঁ, ছাত্ৰ ছাত্ৰীসকলক কিতাপৰ সৈতে বন্ধুত্ব স্থাপন কৰিবলৈ আহ্বান জনায় আৰু কিতাপৰ ভিতৰত নিজকে ৰ'লাগি চাই চাই কিতাপৰ গভীৰ অধ্যয়ন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। অনুষ্ঠানত বিদ্যালয়সমূহৰ পৰিদৰ্শিকা লিপিকা বুঢ়াগোহাঞিয়ে বৰ্ণিল আকাশ মূদৈ আৰু বৰ্ণিষা মুদৈক দুটা নাহৰৰ পুলি প্ৰদান কৰি শুভেচ্ছা জনায়। অনুষ্ঠানত পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতাই ছাত্ৰ ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণা মূলক ভাষণ প্ৰদান কৰে। তেওঁ, কিতাপৰ দিনৰ তাৎপৰ্যও ব্যাখ্যা কৰে। উক্ত, অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক দিগন্ত শইকীয়া, জয়ন্ত দত্ত, অজিত বৰুৱা উদীয়মান যুৱ লেখক তথা সুবক্তা কুশদীপ হাটীমতা, মাজুলীৰ কবিতাৰ সম্পাদক জয়ন্ত হাজৰিকা, মাজুলী জিলা কবি সন্মিলনৰ সম্পাদক শ্যামন্ত পায়েং, অৰুণোদয় হাইস্কুলৰ প্ৰধান শিক্ষক দেবেন বৰুৱা, কবি ছবি দাস, শিক্ষক প্ৰমোদ গোস্বামী, দেৱাশিস মিশ্ৰ, বিনোদ হাজৰিকা, পিংকুমণি হাজৰিকা, নিতুল ভূঞা, প্ৰতিষ্ঠিত ব্যৱসায়ী প্ৰাঞ্জল বৰা, পুথিভঁৰাল বৰ্ণবাক আৰু আত্মবীক্ষণ মঞ্চৰ সহযোগী সঞ্চালক জয়ন্ত হাজৰিকা আদিয়ে অংশগ্ৰহণ কৰি কিতাপ অধ্যয়নৰ গুৰুত্বতা আৰু নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব সন্দৰ্ভত তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। উক্ত, কিতাপৰ দিনতেই নামনি মাজুলীৰ পৰা সমাগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীসকলক পুথিভঁৰাল বৰ্ণবাক আৰু আত্মবীক্ষণ মঞ্চৰ তৰফৰ পৰা শৈক্ষিক সমল প্ৰদান কৰা হয়। উক্ত, কিতাপৰ দিন উপলক্ষে মাজুলীৰ শৈক্ষিক মহলৰ বহুতো ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে পুথিভঁৰাল বৰ্ণবাক আৰু আত্মবীক্ষণ মঞ্চৰ সঞ্চালক যতীন্দ্ৰ নাথ মূদৈয়ে।

**নাৰী পুৰুষ উভয়ে সমান সুযোগ সন্মান আৰু সমান নিৰাপত্তা পালেহে এটা সমতা-পূৰ্ণ আৰু শক্তিশালী সমাজ গঠন সম্ভৱ ঃ মনোজ্বল গগৈ**

# ওদালগুৰিত খণ্ড পৰ্যায়ত লিংগ সমতাৰ সজাগতা ৰেলি



**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৬ ডিচেম্বৰ ঃ** লিংগ সমতা কোনো এটা গোট বা লিঙ্গৰ বাবে নহয়, ই সকলোৰে অধিকাৰ। সমাজ, পৰিয়াল আৰু আগন্তুক প্ৰজন্মৰ উন্নয়নৰ ভিত্তি। নাৰী পুৰুষ উভয়ে সমান সুযোগ, সমান সন্মান আৰু সমান নিৰাপত্তা পালে তেহে এটা সমতা-পূৰ্ণ আৰু শক্তিশালী সমাজ গঠন সম্ভৱ বুলি আজি ওদালগুৰি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত ওদালগুৰি ব্লক অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় খণ্ড পৰ্যায়ত লিংগ সমতাৰ সজাগতা ৰেলি উদ্বোধন কৰি এই দৰে ওদালগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ্বল গগৈয়ে কয়। তেওঁ আৰু কয় অধিকাৰ- সচেতনতা, বাল্য বিবাহ ৰোধ, শিক্ষাৰ প্ৰয়োজনীয়তা, স্বনিৰ্ভৰতা আৰু গৃহনিৰ্বাচনমূলক হিংসাৰ বিপক্ষত সকলোকে একতাবদ্ধ হোৱাৰ আহ্বান জনাই। আননহাতে যিকোনো নাৰী সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত পুলিচ বিভাগৰ পৰা আইন- সুৰক্ষাৰ লগতে সমাজিক দায়বোধৰ ক্ষেত্ৰতো সক্ৰিয় ভূমিকা লোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। নাৰী সুৰক্ষা সুনিশ্চিত কৰক, বাল্য বিবাহ বন্ধ কৰক, মাদক দ্ৰব্য বন্ধ কৰক শ্লোগানেৰে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জীৱিকা সখীৰ লগতে অভিযানৰ বিভিন্ন বিভাগৰ কৰ্মী মহিলা সকলে হাতে হাতে প্লে কাৰ্ড লৈ সজাগতা ৰেলি কৰে। উক্ত সজাগতা ৰেলিত ওদালগুৰি খণ্ড উন্নয়ন বিষয়া চাংচুমা বসুমতাৰী, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ খণ্ড উন্নয়ন বিষয়া অমল বাগলাৰি, লিংগ বিশেষজ্ঞ পঞ্চমী স্বৰ্গীয়াৰী, পিংকী দেউৰী, খণ্ড সমন্বয়ক ৰৈচুমী স্বৰ্গীয়াৰী, অৰূপ বড়ো, আগস্থিন দুং দুং, নিলাঞ্জনা ভূঞা, অনিতা বসুমতাৰী, ভায়লেত বড়ো, এম্ আৰ এচডি এনজিঅ'ৰ পৰিচালক ড° মিলন দাস, ওদালগুৰি জিলা স্বাস্থ্য সেৱাৰ বিষয় ববিয়া, মণ্ডল পৰ্যায়ৰ সংগঠনৰ পৰিচালক দীপাংকৰ চৌহান, এলিচা বসুমতাৰী, কেৰলিন দৈমাৰী লগতে আৰক্ষী প্ৰশাসনৰ বিষডববীয়াসকলে অংশগ্ৰহণ কৰে।

# কচুৱাত ড্ৰাগছ, গাঞ্জাসহ আটক স্বামী-স্ত্ৰী



**অসম বাৰ্তা, কচুৱা, ৬ ডিচেম্বৰ ঃ** যোৱা নিশা নগাঁও জিলাৰ কচুৱা থানাৰ অন্তৰ্গত ৰজাগাঁৱত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে কচুৱা আৰক্ষীৰ অভিযান। আৰক্ষীয়ে ৰজাগাঁও জৰবাগানত অভিযান চলাই ড্ৰাগছ আৰু গাঞ্জাসহ দুই স্বামী-স্ত্ৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গোপন সূত্ৰৰ ভিত্তিত কচুৱা আৰক্ষীয়ে পৃথক পৃথক ঠাইত অভিযান চলাই আৰক্ষীয়ে দৈৱকী বিশ্বাসৰ পৰা ৬.২৪৫ কেজি গাঞ্জা আৰু বিনয় বিশ্বাসৰ পৰা ১০টা কণ্টেনাৰত থকা ২.৩৭ গ্ৰাম সন্দেহযুক্ত হেৰোইন জব্দ কৰিবলৈ সক্ষম হয়। ধৃত লোক দুজনক আটক কৰি তদন্ত অব্যাহত ৰাখিছে কচুৱা আৰক্ষীয়ে।

# সমগ্ৰ শিক্ষা অভিযন্তা ৰফিকুল ইছলামে পৰিদৰ্শন কৰে ডিব্ৰুগড়ৰ আমোলাপট্টি এম ভি স্কুলৰ নকৈ নিৰ্মাণ কাৰ্য

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৬ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ সমগ্ৰ শিক্ষাৰ অন্তৰ্গত আমোলাপট্টি এম ভি স্কুলৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰিলে জিলা প্ৰকল্পৰ অভিযন্তা ৰফিকুল ইছলামে। সমগ্ৰ শিক্ষাৰ জিলা বিষয়া ইছলামৰ সৈতে বৰবৰুৱাৰ প্ৰাথমিক শিক্ষাখণ্ডৰ কনিষ্ঠ অভিযন্তা মনোজ কুমাৰ টায়েও বিদ্যালয়ত উপস্থিত হৈ নতুনকৈ নিৰ্মাণ কৰি থকা দুটা কোঠাৰ নিৰ্মাণ কাৰ্য স্ব-জমিন পৰিদৰ্শন কৰি কামৰ অগ্ৰগতি বুজ লয়। বিশেষকৈ আৰ চিচি আৰ্হিত নিৰ্মাণ হৈ থকা বিদ্যালয়ৰ কোঠা কেইটাৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত যাতে কোনো আসোঁৱাহ বা ত্ৰুটি নাথাকে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ বিদ্যালয়ৰ প্ৰধান শিক্ষক চন্দন ফুকন আৰু বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ৰাজশ্ৰী দাসক পৰামৰ্শ প্ৰদান কৰে। ইয়াৰ উপৰিও নিৰ্মাণ কাৰ্যত জড়িত হোৱা শ্ৰমিক সকলক প্ৰতিটো ক্ষেত্ৰতে সৰ্তকতাৰে আগবঢ়াই নিবলৈ নিৰ্দেশ প্ৰদান কৰে। বিভাগৰ ফালৰ পৰা প্ৰদান কৰা কোঠাৰ আৰ্হি আৰু সামগ্ৰীৰ নিৰ্দেশনা সঠিকভাবে প্ৰয়োগ কৰিবলৈ পৰিচালনা সমিতিক অৱগত কৰে জিলা প্ৰকল্পৰ অভিযন্তা ইছলামে। উল্লেখযোগ্য যে ১১ নৱেম্বৰ তাৰিখে বিদ্যালয়ৰ প্ৰধানত শিক্ষক চন্দন ফুকন আৰু বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ৰাজশ্ৰী দাসে বিদ্যালয়ৰ সকলো শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সকলৰ উপস্থিতিত উক্ত কোঠা দুটাৰ আনুষ্ঠানিক ভাৱে শিলান্যাসৰে নিৰ্মাণ কাৰ্য শুভাৰম্ভণি কৰিছিল। বিদ্যালয়ৰ চৌহদত উপস্থিত হৈ বৰ্তমান ছাত্ৰ-ছাত্ৰী সকলৰ বাবে নিৰ্মাণ কাৰ্য চলি থকা বিদ্যালয়ৰ কোঠা দুটা উন্নত মান দণ্ডৰ হোৱাটো কামনা কৰে দুই অভিযন্তা ইছলাম আৰু টায়ে।

**সোৱাদ ল'লৈ বৰ টেঙা, ধান দোৱা, লেচেৰী বুটলাৰ**

# আঘোণৰ পথাৰত বনগাঁও শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰী



**অসম বাৰ্তা, উজনী মাজুলী, ৫ ডিচেম্বৰ ঃ** ঐতিহ্যৰ সন্ধানত আজি আঘোণৰ পথাৰত নামিল মাজুলীৰ বনগাঁও শংকৰদেৱ শিশু নিকেটনৰ এদল ছাত্ৰ-ছাত্ৰী। বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ দ্ৰুত উন্নয়নে অতি সুলভ কৰি তোলা নানান সামগ্ৰীৰ লগত ব্যস্ত জীৱনৰ সোণালী শৈশৱ আবদ্ধ কৰি ৰখা এক পৰিৱেশৰ পৰা প্ৰাকৃতিক আৰু পৰম্পৰাগত এক পৰিৱেশৰ লগত ছাত্ৰ-ছাত্ৰী সকলক পৰিচয় কৰি দিয়াৰ লগতে আঘোণৰ পথাৰৰ মাদকতা লাভ কৰোৱাত বিশেষ গুৰুত্ব দি বিদ্যালয়ৰ আচাৰ্য আচাৰ্য সকলে আজি সমীপৱৰ্তী পথাৰলৈ ছাত্ৰ-ছাত্ৰী সকলক লৈ যায়। পথাৰত প্ৰথমেই ছাত্ৰ-ছাত্ৰী সকলক আচাৰ্য সকলে লেচেৰী বুটলিবলৈ প্ৰশিক্ষণ দিয়ে। লেচেৰীৰ ধানৰ লগত অসমীয়া সমাজত জড়িত চুঙা পিঠা ৰ পৰম্পৰা সম্পৰ্কেও ছাত্ৰ-ছাত্ৰী সকলক অৱগত কৰে। ইয়াৰ পাছতে ছাত্ৰী সকলক আচাৰ্য সকলে ধান দোৱাৰ প্ৰশিক্ষণ দিয়ে। ছাত্ৰী সকলেও বিহু গীতে তালে তালে ধান দোৱা কাৰ্যত মনোনিবেশ কৰে। ছাত্ৰ সকলেও নৰা পেঁপা বজাই গোটেই পথাৰখন ৰজন জনাই তোলে। নৰা পেপাৰ শব্দত মতলীয়া ছাত্ৰ সকলে আনন্দত বিহুনাম গাই আত্মহাৰা হৈ পৰে। ইয়াৰ পাছতে আচাৰ্য সকলে ঘৰৰ পৰা অনা বৰ টেঙা কাটি সকলো ছাত্ৰ-ছাত্ৰীকে বহুৱাই বৰ টেঙাৰ সোৱাদ দিয়ে। ছাত্ৰ-ছাত্ৰী সকলেও ৰদ ত নৰাৰ ওপৰত বহি বৰটেঙাৰ সোৱাদ লৈ আনন্দিত হয়। উল্লেখযোগ্য যে বিদ্যালয় খনে অসমীয়া সমাজৰ ভিন্ন পৰম্পৰা যি খনি পৰম্পৰা ইতিমধ্যে নব প্ৰজন্মৰ পৰা বহু দূৰলৈ গতি কৰিছে সেই সমূহ পৰম্পৰাৰ লগত চিনাকি হৱ পৰা ভিন্ন কাৰ্য সূচী বছৰটোৰ ভিন্ন সময়ত ৰূপায়ণ কৰি আহিছে। এনে কাৰ্যসূচী সমূহৰ ভিতৰত আঘোণৰ পথাৰ দৰ্শন এক বিশেষ কাৰ্যসূচী হিচাপে পালন কৰি আহিছে।

**বৰগুৰিত হ'ব প্ৰায় ১০ হাজাৰ লোকৰ বিশাল সমাৰেশ**

# তিনিচুকীয়াত শ্বহীদ দিৱস উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ ডিচেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে তিনিচুকীয়া জিলাতো অহা ১০ ডিচেম্বৰত শ্বহীদ দিৱস আড়ম্বৰপূৰ্ণভাবে আয়োজনৰ প্ৰস্তুতি চলিছে। সেইদিনা তিনিচুকীয়াৰ বৰগুৰিত থকা ল'ৰাৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেলপথাৰত এই দিৱস উপলক্ষে বিশাল ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত প্ৰায় দহ হাজাৰ লোক সমবেত হ'ব বুলি আশা কৰা হৈছে। ইয়াত জিলাখনৰ দুশগৰাকী প্ৰতিষ্ঠিত শিল্পীয়ে ড° ভূপেন হাজৰিকাৰ 'শ্বহীদ প্ৰণামো তোমাক' গীত টি পৰিবেশন কৰিব। তাৰ বাবে জিলাখনৰ বিভিন্ন স্তৰৰ সমাজকৰ্মী, সাংস্কৃতিক কৰ্মী-শিল্পী আদিক সমগ্ৰ প্ৰক্ৰিয়াটোত জড়িত কৰোৱা হৈছে। উল্লেখযোগ্য যে, এই বেলি গুৱাহাটীত নতুনকৈ স্থাপন কৰা শ্বহীদ স্মাৰক ক্ষেত্ৰৰ সেইদিনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। ঐতিহাসিক অসম আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদৰ স্মৃতি দিৱসৰ দিনটোত আয়োজিত এই অনুষ্ঠানলৈ তিনিচুকীয়া জিলাৰ অসম আন্দোলনৰ শ্বহীদ পৰিয়ালৰ একোজনকৈ লোকক লৈ যোৱাৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা যাৱতীয় প্ৰস্তুতি চলোৱা হৈছে। উক্ত অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ ডাঙৰ পৰ্দাত ৰাজহুৱা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে, জিলা সদৰৰ উপৰিও প্ৰতিখন সম-জিলাতো অনুৰূপ কাৰ্যসূচীৰে শ্বহীদ দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। জিলা আয়ুক্ত স্বপ্নীল পালে জিলাখনৰ সকলো প্ৰান্তৰ লোকক এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# আমগুৰিত বাইক চুৰি চক্ৰৰ সদস্য আটক সন্দৰ্ভত অতিৰিক্ত আৰক্ষী অধীক্ষকৰ সংবাদমেল



**অসম বাৰ্তা, আমগুৰি, ৬ ডিচেম্বৰঃ** শিৱসাগৰ জিলাকে ধৰি বিভিন্ন স্থানত বাইক চুৰিৰে জড়িত হৈ থকা এটা দুষ্ট চক্ৰৰ দুজন সদস্যক আমগুৰি আৰক্ষীয়ে আটক কৰাৰ ফলত আগন্তুক সময়ছোৱাত সম্ভাৱিত বৃহৎ পৰিমাণৰ বাইক চুৰি কাণ্ড ৰোধ কৰিবলৈ সক্ষম হৈছে। এই সন্দৰ্ভত শিৱসাগৰ জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলামে আজি আমগুৰি থানাত এক সংবাদমেল সম্বোধন কৰে। ইছলামে কয় যে আমগুৰি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাৰ তৎপৰতাত শিৱসাগৰ জিলাৰ লগতে উজনি অসমৰ বিভিন্ন স্থানত আগন্তুক সময়ত হ'বপৰা কেইবাটাও বাইক চুৰি ঘটনা ৰোধ কৰিবলৈ সক্ষম হৈছে। তেখেতে কয়, এক খবৰৰ ভিত্তিত যোৱা ৪ ডিচেম্বৰৰ তাৰিখে আবেলি চাৰি মান বজাত আমগুৰি চাৰিআলিত আমগুৰি আৰক্ষীৰ এটা দলে অভিযান চলাই দুটা গভাইত বাইক চোৰক কৰায়ত্ব কৰে। আটকাধীন চোৰ দুটাৰ স্বীকাৰোক্তিত পোহৰলৈ আহে যে সিহঁতে কেইবাজনীয়া চোৰৰ চক্ৰৰ লগ হৈ বাইক চুৰিৰ এক বৃহৎ পৰিকল্পনা ৰচিছিল। ধৃত চোৰ দুটা হৈছে আমগুৰিৰ ছয় নং ৱাৰ্ডৰ অন্তৰ্গত অভয়াপুৰী গাঁৱৰ ৰাজু বৰাৰ পুত্ৰ পংকজ বৰা আৰু নগাআলিৰ খামুন গাঁৱৰ উমাকান্ত বৰুৱাৰ পুত্ৰ মণ্টু বৰুৱা। তেখেতে লগতে কয় যে ধৃত চোৰ দুটাৰ মোবাইলৰ কল হিষ্টৰী পৰীক্ষা কৰি আৰক্ষীয়ে সিহঁতৰ সহযোগী সকলৰ তথ্য সংগ্ৰহৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ধৃত পঙ্কজ বৰাৰ বিৰুদ্ধে ইতিপূৰ্বে ২০২২ আৰু ২০২৩ চনত শিৱসাগৰ সদৰ থানাত দুটা আৰু যোৰহাট জিলাৰ টীয়ক থানাত চাৰিটাকৈ গোচৰ ৰুজু হৈ আছে। সেইদৰে আনটো মণ্টু বৰুৱাৰ বিৰুদ্ধে শিৱসাগৰ থানাত ২০২৪ চনৰ এটা গোচৰ ৰুজু হৈ আছে। দুয়োটাৰে বিৰুদ্ধে ইতিমধ্যে আদালতে ৱাৰেণ্ট জাৰী কৰিছে। ইয়াৰে পঙ্কজ বৰা এসপ্তাহৰ পূৰ্বে গুৱাহাটীৰ এটা নিচামুক্তি কেন্দ্ৰৰ পৰা উভতি আহিছে বুলিও সংবাদমেলত জানিবলৈ দিয়ে।

# উদয় বাহাদুৰ ভট্টৰাইলৈ পৰিৱেশকৰ্মী বঁটা




**অসম বাৰ্তা, গোৰেশ্বৰ, ৬ ডিচেম্বৰ ঃ** তামোলপুৰ জিলাৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্তৰ ২ নং পাহাৰপুৰৰ যুৱ পৰিৱেশ কৰ্মী উদয় বাহাদুৰ ভট্টৰাইলৈ ২০২৫ বৰ্ষৰ পৰিৱেশ কৰ্মী বঁটা প্ৰদান অসম ৰিপৰ্ট ২৪/৭ নামৰ সংবাদ প্ৰতিষ্ঠানৰ। জানিব পৰা মতে, গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত অলপতে অনুষ্ঠিত হোৱা সংবাদ প্ৰতিষ্ঠানটোৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত সম্বৰ্দ্ধনা অনুষ্ঠানত যুৱ পৰিৱেশ কৰ্মী গৰাকীলৈ প্ৰদান কৰা হয় এই বঁটা। উল্লেখ্য যে, তামোলপুৰ জিলাৰ নাগ্ৰীজুলি অঞ্চলৰ ২ নং পাহাৰপুৰৰ প্ৰাক্তন ছাত্ৰ নেতা তথা যুৱ পৰিৱেশ কৰ্মী উদয় বাহাদুৰ ভট্টৰাইয়ে বিগত কিছুবছৰ ধৰি ভূটান সীমান্তৰ বিভিন্ন অঞ্চলত বৃক্ষৰোপণ, হাতী-মানুহৰ সংঘাত ৰোধৰ লগতে সৰ্প উদ্ধাৰ আদি কাৰ্যত নিজকে জড়িত কৰি কাম আহিছে। পৰিৱেশ সুৰক্ষাৰ প্ৰতি কৰি অহা এনে কাৰ্যৰ স্বীকৃতি স্বৰূপে পৰিৱেশ কৰ্মীগৰাকীলৈ আগবঢ়োৱা হয় এই বঁটা। ইফালে এই বঁটা প্ৰদান কৰাৰ বাবে অঞ্চলটোৰ ৰাইজক পৰিৱেশ সুৰক্ষাৰ হকে কাম কৰাৰ বাবে উদগনি যোগোৱাৰ লগতে নিজেও যথেষ্ট উৎসাহিত হোৱা বুলি জনাই যুৱ পৰিৱেশ কৰ্মী উদয় বাহাদুৰ ভট্টৰাইয়ে।

# গোসাঁইগাঁৱত এবিএমছুৰ সজাগতা সভা অনুষ্ঠিত



**অসম বাৰ্তা, গোসাঁইগাঁও, ৬ ডিচেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত ১ নং ভোমৰাবিল মধ্যপাৰা ঈদগাহ ময়দানত আজি এবিএমছু ভোমৰাবিল আঞ্চলিক সমিতিৰ উদ্যোগত আৰু গোসাঁইগাঁও জিলা সমিতিৰ সহযোগত সমাজত চলি থকা বহু বিবাহ, বাল্য বিবাহ, শিশু শ্ৰমিক, মদ-ভাং, জুৱা, তিৰ খেল আদিৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত এবিএমছুৰ সভাপতি টাইছন হুছেইন, গোসাঁইগাঁও মহকুমাৰ আৰক্ষী বিষয়া মণ্টুৰাম বৰা, আমছু'ৰ পশ্চিম কোকৰাঝাৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক ছফিকুল ইছলাম, এবিএমছুৰ গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি নুৰ মহম্মদ আনছাৰীসহ সংগঠনৰ বিভিন্ন পৰ্যায়ৰ বহু পদধাৰী উপস্থিত থাকে। সভাত তিনিশৰো অধিক লোকে অংশগ্ৰহণ কৰে। এবিএমছুৰ সভাপতি টাইছন হুছেইনে কয় অসমৰ বিভিন্ন স্থানত সংখ্যালঘু লোক সকলৰ ওপৰত কিছুমান হিন্দু সংগঠনে কৰ্তাব্যবিহীন হাৰাশাস্তি চলাইছে। তেওঁ কয় "এজন ব্যক্তি ভাৰতীয় নাগৰিক হ'লে দেশৰ যিকোনো ঠাইত যাতায়ত কৰাৰ অধিকাৰ থাকে। কিন্তু বৰ্তমান কিছুমান সংগঠন আৰু ৰাজনৈতিক উদ্দেশ্যৰ বলি হৈ পৰিছে সংখ্যালঘু সমাজ। লগতে সাংবাদিকৰ প্ৰশ্নত আখতাৰা বেগমৰ বিতৰ্কৰ সন্দৰ্ভত মন্তব্য দিয়ে যে ৰাজনীতি ক্ষেত্ৰখনৰ লগত জনগোষ্ঠীৰ পৰিচয় ইয়াত সাঙুৰি কোনেও লব নালাগে।

# যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত ভাৰতীয় বনসেৱা বিষয়াৰ বাঁহৰ ওপৰত হোৱা প্ৰশিক্ষণৰ সফল সমাপ্তি

**অসম বাৰ্তা, যোৰহাট, ৬ ডিচেম্বৰ ঃ** যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত যোৱা ১ৰ পৰা ৫ ডিচেম্বৰ ২০২৫ লৈ আয়োজন কৰা ভাৰতীয় বনসেৱা বিষয়াৰ "জনসাধাৰণৰ জীৱিকাত বাঁহ সম্পদৰ ভূমিকা" শীৰ্ষক এটা পাঁচদিনীয়া ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ প্ৰশিক্ষণৰ সফল সমাপন হয়। ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থ সাহায্যত অনুষ্ঠিত কৰা এই প্ৰশিক্ষণত ভাৰতৰ তেৰখন ৰাজ্যৰ পোন্ধৰজন উচ্চ পদস্থ বন বিষয়াই অংশ গ্ৰহণ কৰে। এই প্ৰশিক্ষণ উদ্বোধন কৰে প্ৰতিষ্ঠানৰ সঞ্চালক ড° নিতিন কুলকাৰ্ণিয়ে। প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী তথা পাঠ্যক্ৰম সঞ্চালক ৰাজীৱ কুমাৰ কলিতাৰ দ্বাৰা পৰিচালিত এই প্ৰশিক্ষণত বাঁহৰ পুলি বাগান, বাঁহৰ খেতি, বাঁহৰ প্ৰয়োগ, জনজাতীয় সমাজত বাঁহৰ প্ৰয়োগ, বাঁহৰ কয়লা, ঘৰ বনোৱা, বাঁহৰ প্ৰয়োগ আদি কৰি সকলো দিশ সামৰি অভিজ্ঞ সমল ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণ আগ বঢ়ওৱা হয়। বিভিন্ন দিশত প্ৰশিক্ষণ প্ৰদান কৰা সমল ব্যক্তি সমূহ হল, ড° তিলক চন্দ্ৰ ভূঞা, ড° ধ্ৰুৱজ্যোতি দাস, ড° সত্যম বৰদলৈ, ড° ৰুণুমী দেৱী বৰঠাকুৰ, ড° অভিনৱ কান্ত, দীনেশ কুমাৰ মীনা, প্ৰিয়ম বল্লভ গোস্বামী, অবিনাশ হাজৰিকা, হিদম তনসনা আদি। প্ৰশিক্ষণৰ লগত সংগতি ৰাখি প্ৰশিক্ষাৰ্থী সকলক বিশ্ববিখ্যাত নদীদ্বীপ মাজুলী ভ্ৰমণ কৰোৱা হয়। এই ভ্ৰমণত প্ৰশিক্ষাৰ্থী সকলে মাজুলীৰ চামগুৰি সত্ৰৰ মুখা শিল্প সংস্কৃতি প্ৰত্যক্ষ কৰে। প্ৰশিক্ষাৰ্থী সকলে পদ্মশ্ৰী বঁটা প্ৰাপ্ত হেমচন্দ্ৰ গোস্বামীৰ লগতো মত বিনিময় কৰে আৰু মুখা শিল্পৰ লগত জড়িত বিভিন্ন দিশ সমূহৰ সম্পৰ্কে অৱগত কৰোৱা হয়। সেই সত্ৰৰে খগেন গোস্বামীয়ে মুখা ব্যৱহাৰ কৰি বিভিন্ন চৰিত্ৰসমূহৰ ভাওঁ প্ৰদৰ্শন কৰে। বাঁহৰ লগত জড়িত নুমলিগড়ত অৱস্থিত অসম জৈৱ ইথানল প্ৰাঃ লিঃ ও প্ৰশিক্ষাৰ্থী বিষয়া সকলে ভ্ৰমণ কৰে। এই জৈৱ শোধনাগাৰৰ উচ্ছ পদস্থ বিষয়া সকলে বাঁহ প্ৰয়োগ কৰি কেনেকৈ ইথানল তৈয়াৰ কৰিব পাৰি তাৰ বিষয়ে সবিশেষ বিৱৰি কয়। এই জৈৱ শোধনাগাৰটো পৰিভ্ৰমণ কৰিবলৈ পায় বন বিষয়া সকল যথেষ্ট আপ্লুত হয়। বন বিষয়া সকলে বিশ্ব বিখ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানও পৰিভ্ৰমণ কৰে। এই ভ্ৰমণ কালত উদ্যানখনৰ সঞ্চালিকা বন সংমণ্ডল বিষয়া শ্ৰী অৰুণ বিগনেছে প্ৰশিক্ষাৰ্থী সকলক আদৰণি জনায় আৰু উদ্যান সম্পৰ্কে এটি তথ্য ভিত্তিক বক্তৃতা প্ৰদান কৰে। প্ৰশিক্ষণৰ শেষত প্ৰশিক্ষাৰ্থী সকলক মানপত্ৰ প্ৰদান কৰা হয়।

অৰ্থৰ অভাৱত উপযুক্ত চিকিৎসাৰ পৰা বঞ্চিত পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী

# বৰক্ষেত্ৰীৰ বৰতলাত অসহায় এটি পৰিয়ালৰ অসমৰ মুখ্যমন্ত্ৰীলৈ কাতৰ আহ্বান

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৫ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বৰতলাৰ এটি পৰিয়াল অসহায় হৈ পৰিছে। পৰিয়ালটোৰ মূল উপাৰ্জনকাৰীজনৰ দুয়োটা বৃক্ক সম্পূৰ্ণৰূপে বিকল হোৱাত ঘোৰ অন্ধকাৰ নামি আহিছে অসহায় পৰিয়ালটোলৈ। ফলত এগৰাকী সাত বছৰীয়া কন্যাক লৈ অসহায় হৈ পৰিছে মাতৃগৰাকী। এসময়ত ক্ষুদ্ৰ ব্যৱসায়েৰে পৰিয়াল পোহপাল দিছিল বৰতলা গাওঁ নিবাসী পৰিশ্ৰমী যুৱক শৰৎ ডেকা ওৰফে শ্যামলে। পিছে অমায়িক স্বভাৱৰ যুৱকজনৰ শৰীৰটো হঠাৎ অচল হৈ পৰে। বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্তত অৱশেষত শৰতৰ দুয়োটা বৃক্ক সম্পূৰ্ণৰূপে বিকল হৈ পৰাৰ কথা জানিব পাৰে অসহায় পৰিয়ালটোৱে। উপযুক্ত চিকিৎসাৰ অভাৱত এতিয়া বিছনাখনেই সংগী হৈ পৰিছে শৰতৰ। আনহাতে, হাড়ৰ জটিল ৰোগত আক্ৰান্ত হৈ বিছনাতে উজাগৰী নিশা কটাবলগীয়াত পৰিছে অসহায় যুৱকজনে। যোৱা ছয় বছৰ ধৰি গাঁঠিৰ ধন ভাঙি স্বামীক চিকিৎসা কৰি কৰি সৰ্বস্বান্ত হৈ পৰিছে তেওঁৰ পত্নী। পত্নী পল্লৱীয়ে অশেষ যন্ত্ৰণা সহ্য কৰিও নিজ স্বামীৰ উপযুক্ত চিকিৎসাৰ বাবদ যোগাৰ কৰিব পৰা নাই প্ৰয়োজনীয় টকা। দুৰ্ভগীয়া পত্নী আৰু পৰিয়ালটোৱে জানিবলৈ দিয়া অনুসৰি শৰতক প্ৰতি সপ্তাহত দুদিনকৈ ডায়েলাইছিছৰ লগতে প্ৰয়োজন হয় দামী ঔষধৰ। আনহাতে, ৰুগীয়া স্বামীক নিৰ্দ্ধাৰিত সময় মতে খাদ্য খুৱাবলগীয়া হয় যদিও পৰ্যাপ্ত ঔষধ বা খাদ্য যোগাৰৰ বাবে পৰিয়ালটো অসমৰ্থ হৈ পৰিছে। ইতিমধ্যে চিকিৎসাৰ বাবে সোণ-ৰূপৰ আ-অলঙ্কাৰ, মাটি- বাৰী বিক্ৰী কৰি সৰ্বশ্ৰান্ত হৈ পৰিছে দুৰ্ভগীয়া পৰিয়ালটি। জানিব পৰা মতে, চিকিৎসাৰ ক্ষেত্ৰত চৰকাৰীভাৱেও কোনোধৰণৰ সাহায্য লাভ কৰা নাই অসহায় পৰিয়ালটোৱে। বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামীয়ে সময়ে-সময়ে ব্যক্তিগতভাৱে কিছু সহায়ৰ হাত আগবঢ়াই কিছু সঁকাহ দিছে পৰিয়ালটোক। অসহায় পৰিয়ালটোৱে এতিয়া অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ সহায়ৰ বাবে কাতৰ অনুৰোধ জনাইছে। কোনো সদাশয় লোক নতুবা তথা দল-সংগঠনে দুৰ্ভগীয়া পৰিয়ালটোক কিছু আৰ্থিক সকাহ দিব বিচাৰিলে পত্নীৰ নামত থকা গ্ৰামীণ বিকাশ বেংকৰ আই এফ এছ চি PUNBORRBAG, একাউণ্ট নম্বৰ - 7084029002780 ত আৰ্থিক বৰঙনি আগবঢ়াবলৈ অনুৰোধ জনাইছে দুৰ্ভগীয়া পত্নীৰ লগতে পৰিয়ালটোৱে।

# মাজুলীত মণ্ডল পৰ্যায়ৰ ৰান্ধনী প্ৰশিক্ষণ



**অসম বাৰ্তা, উজনী মাজুলী, ৬ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী শক্তি পোষণ নিৰ্মাণ আঁচনিৰ সমগ্ৰ শিক্ষা মাজুলী জিলাৰ অধীনত বালিচাপৰি আৰু চিলাকলা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ৰান্ধনী সকলৰ এটি দুদিনীয়া প্ৰশিক্ষণ আজি পৰা বালিচাপৰি মণ্ডলৰ অন্তৰ্গত শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হয়। প্ৰাতঃসভাৰে আজি প্ৰশিক্ষণৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। শংকৰ দেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক হৰেণ দাসে আঁত ধৰা সভাখনত ৰান্ধনী সকলক উদ্দেশ্য চি, আৰ. চি ৰূপজ্যোতি শইকীয়াই প্ৰশিক্ষণৰ সম্পৰ্কত বিশদ ভাৱে অৱগত কৰে। প্ৰশিক্ষণৰ সমল ব্যক্তি হিচাবে থাকি প্ৰশিক্ষণ আগবঢ়ায় খকণগুৰি প্ৰাথমিক বিদ্যালয়ৰ ৰান্ধনী সীমা দাস, ৬৫ নং বালিচাপৰি প্ৰাথমিক বিদ্যালয়ৰ ৰান্ধনী নিজু শইকীয় আৰু ২২নং কাকৰিকটা প্ৰাথমিক বিদ্যালয়ৰ ৰান্ধনী ৰিংকু দাসে। সমল ব্যক্তি সকলে কেনেদৰে ৰন্ধন কাৰ্য সম্পন্ন কৰিব লাগে তাক ৰান্ধি দেখুৱাই। বালিচাপৰি আৰু চিলাকলা মণ্ডলৰ ২০খন বিদ্যালয়ৰ প্ৰথম দিনা প্ৰশিক্ষণত ২৪ গৰাকী ৰান্ধনী কৰ্মীয়ে অংশ গ্ৰহণ কৰে।

# মাজুলীৰ জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰে মাজুলীৰ সাংবাদিকৰ সৌহাদ্যমূলক মত বিনিময় অনুষ্ঠান

**অসম বাৰ্তা, মাজুলী, ৬ ডিচেম্বৰ ঃ** মাজুলী জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন তকবী, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদীয়া, আৰক্ষী বিশেষ শাখাৰ উপ আৰক্ষী অধীক্ষক ৰাজীৱ শইকীয়া, বিদ্যুৎ বিকাশ টায়ুংৰ উপস্থিতিত মাজুলী জিলা সংবাদিক সকলেৰে আজি জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱ নিৰ্মিত ভৱনত এক সৌহাদ্যমূলক মত বিনিময় অনুষ্ঠানত মিলিত হয়। আলোচনাৰ প্ৰাক মুহূৰ্তত মাজুলীৰ নৱ নিযুক্ত জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন তকবীক মাজুলী জিলা সাংবাদিক সন্থাৰহৈ সভাপতি দিবাকৰ শইকীয়া আৰু সম্পাদক ডিম্বেশ্বৰ দত্তই ফুলাম গামোচা আৰু আচাম প্ৰেছ কৰেছস্পণ্ডেণ্ট ইউনিয়ন (আপকু) মাজুলী জিলা সমিতিৰহৈ প্ৰতিষ্ঠাপক সভাপতি তথা কেন্দ্ৰীয় উপ সভাপতি জীৱন



বৰুৱা আৰু জিলাৰ উপসভাপতি ভাস্কৰ বৰাই আৰু গড়মূৰ প্ৰেছ ক্লাবৰ সভাপতি উৎপল কাকতিয়ে ফুলাম গামোচা পৰিধান কৰি স্বাগত সম্ভাষণ জ্ঞাপন কৰে। ইয়াৰ পিছতেই জিলা আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা উপস্থিত প্ৰতিগৰাকী সাংবাদিকক একোখনকৈ ফুলাম গামোচাৰ শুভেচ্ছা জ্ঞাপন কৰি পৰিৱেশটো সুন্দৰ কৰি তোলে। সাংবাদিক দিবাকৰ শইকীয়াই সঞ্চালন কৰা মতে বিনিময় অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে জিলা (ডিএছবি) উপ অধীক্ষক বিশেষ শাখাৰ ৰাজীৱ শইকীয়াই। মত বিনিময় অনুষ্ঠান প্ৰথম বক্তা হিচাপে আৰক্ষী অধীক্ষক হৰেন তকবীয়ে জিলা খনত তেখেতে যোগদান কৰা দিনৰ পৰা আজিলৈকে যিখিনি অভিজ্ঞতা লাভ কৰিছে আৰু ইয়াৰ পূৰ্বেও মাজুলীলৈ আহি পোৱা অভিজ্ঞত সন্দৰ্ভত সাংবাদিক সকলক ব্যক্ত কৰাৰ লগতে মাজুলী খনক কেনেকৈ এখন শান্তিপূৰ্ণ জিলা হিচাপে পূৰ্বৰ দৰে আগবঢ়াই নিব পৰা যায় সেই সন্দৰ্ভত সকলোৱে পৰামৰ্শ আৰু সহযোগিতা কামনা কৰে। ইয়াৰ পাছতে জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্তই জিলা আৰক্ষী প্ৰশাসনৰ এনে পদক্ষেপক আন্তৰিক শলাগলৈ চমু বক্তব্য আগবঢ়াই। অনুষ্ঠানত মাজুলী জিলা আপকুৰ প্ৰতিষ্ঠাপক সভাপতি তথা আপকু কেন্দ্ৰীয় উপসভাপতি জীৱন বৰুৱাই মাজুলীত আৰক্ষী জিলা প্ৰতিষ্ঠা হোৱা দিনৰ পৰাই সেই সময়ৰ আৰক্ষী অধীক্ষক গৰাকীৰ প্ৰমুখ্যে ২০১৬ চনত মাজুলীক প্ৰশাসনিক জিলা হিচাপে ঘোষণা হোৱাৰ পৰাই যিসকল আৰক্ষী অধীক্ষকে কাৰ্যনিৰ্বাহ কৰি গল সেই সময়ছোৱাত মাজুলীৰ সাংবাদিক সকলে আৰক্ষী প্ৰশাসনক পূৰ্ণ সহযোগ কৰি অহাৰ কথা উল্লেখ কৰাৰ লগতে আৰক্ষী আৰু সাংবাদিকে কিদৰে ঐক্যবদ্ধ ভাবে নিখুঁত আৰু নিঃস্বাৰ্থ আৰু নিৰপেক্ষতাৰে ৰাইজৰ সেৱা আগবঢ়াই আহিছে আৰু বিভিন্ন সময়ত সঁচা ঘটনা উদ্ধাৰ আৰু সত্যৰ সন্ধানত আগবঢ়াৰ ক্ষেত্ৰত আৰক্ষী আৰু প্ৰশাসনৰ মাজত দেখাদিয়া সমস্যা সন্দৰ্ভত দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ অভিমত ব্যক্ত কৰে আৰু সাংবাদিকে সেৱা আগবঢ়োৱা এই কণ্টকাকীৰ্ণ ক্ষেত্ৰখনত আৰক্ষীৰ পূৰ্ণ মাত্ৰেই সহযোগিতাৰ প্ৰয়োজন বুলি উল্লেখ কৰি জিলাখনৰ বহুতো উল্লেখনিয়ে দিশ সামৰি বক্তব্য আগবঢ়াই। অনুষ্ঠানত সাংবাদিক ৰাজীৱ পাটিৰ, যদু কলিতা, ৰজনী বৰদলৈয়ে জিলাখনৰ আভ্যন্তৰীণ দিশসমূহ দৃষ্টি নিক্ষেপ কৰি নিজ নিজ বক্তব্য প্ৰদান কৰে। মাজুলী আৰক্ষী প্ৰশাসনে সাংবাদিক সকলৰ পৰামৰ্শ তথা প্ৰতিটো বক্তব্য নোট কৰা বুলি উল্লেখ কৰে আৰু সকলোৱে এখন আকাংক্ষিত মনৰ মাজুলী উন্নয়নৰ সহযোগিতা কৰাৰ আশ্বাস প্ৰদান কৰে। অনুষ্ঠানত সাংবাদিক সকলৰ উপৰিও গড়মূৰ আৰক্ষী থানৰ আৰক্ষী ভাৰপ্ৰাপ্ত বিষয়া প্ৰমুখ্যে কেইবাগৰাকী বিষয়া উপস্থিত আছিল।

# শান্তিপুৰত বিশ্ব ভূমি দিৱস পালন





**অসম বাৰ্তা, জাঁজী, ৬ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ শান্তিপুৰত আজি কৃষি বিজ্ঞান কেন্দ্ৰ শিৱসাগৰৰ উদ্যোগত দিনযোৱা কাৰ্যসূচীৰে বিশ্ব ভূমি দিৱস পালন কৰা হয়। সেই উপলক্ষে দিনৰ এঘাৰ বজাত অনুষ্ঠিত মুকলি সভাত শিৱসাগৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ শস্য বিজ্ঞান বিভাগৰ বিশেষজ্ঞা ড° প্ৰিয়ংকা দত্তই ভূমি স্বাস্থ্য ৰক্ষাত মাহজাতীয় শস্যৰ ভূমিকাৰ ওপৰত আলোকপাত কৰি তৰ্থ্য সমৃদ্ধ বক্তব্য দাঙি ধৰে। উদ্যান শস্য বিভাগৰ বিশেষজ্ঞা ড° সুভাশ্ৰী দিহিঙ্গীয়াই ভূমি স্বাস্থ্য দিৱস পালনৰ গুৰুত্ব আৰু তাৎপৰ্য ওপৰত আলোকপাত কৰে। শস্য ৰক্ষা বিভাগৰ বিশেষজ্ঞা ড° বনশ্ৰী মেধিয়ে মাটিৰ স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত ভূমি পৰীক্ষাৰ গুৰুত্বতা আৰু মাটিৰ নমুনা কি দৰে সংগ্ৰহ কৰিব লাগে তাৰ ওপৰত বিতং ভাৱে আলোকপাত কৰে। শতাধিক কৃষক ৰাইজ উপস্থিত থকা উক্ত অনুষ্ঠানত কৃষক সকলে বিজ্ঞানী সকলৰ লগত বৰ্তমান সময়ত সপোনৰ সোণগুটি চপোৱাৰ পিছত লবলগীয়া কিছু কৰ্মৰাজি সম্পৰ্কে মত বিনিময় কৰে। ইয়াৰোপৰি অসমৰ বিভিন্ন জিলাৰ লগতে শিৱসাগৰটো মাহ জাতীয় শস্য আৰু তৈল বীজৰ উৎপাদন ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰাৰ লক্ষ্যৰে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰিবৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰই বিজ্ঞান সন্মত শস্য উৎপাদন পদ্ধতিৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। লগতে দৈনন্দিন মানৱ জীৱনৰ স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত মাহ আৰু তৈল বীজৰ ভূমিকাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা দেখা যায়।

## প্ৰতিষ্ঠিত ব্যৱসায়ী ৰাজু গাৰোডিয়াৰ কৰ্ম-কাণ্ডত ক্ষুণ্ণ সচেতন ৰাইজ; নীৰৱ দল-সংগঠন

# ৰাজপথত শিল-বালিৰ দ'ম; ডুমডুমাৰ নৱনিৰ্মিত 'গৌৰৱ পথ'ত আজৱ কাণ্ড

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৬ ডিচেম্বৰ ঃ** চাহ নগৰী ডুমডুমাৰ নৱনিৰ্মিত 'গৌৰৱ পথ' ত সংঘটিত এক আজৱ কাণ্ডই এতিয়া সচেতন ৰাইজৰ চকু কপালত তুলিছে। ডুমডুমা নগৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী ৰাজু গাৰোডিয়াই ডুমডুমা নগৰৰ পুৰণি এ টি ৰোডত অৱস্থিত ঐতিহাসিক গান্ধী চ'কক নিজৰ ব্যক্তিগত চোতাল হিচাপে ব্যৱহাৰ কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, ৰাজু গাৰোডিয়াৰ ডুমডুমা নগৰৰ মাজমজিয়াস্থিত সদাব্যস্ত গান্ধী চ'কৰ কাষতে অৱস্থিত ব্যৱসায়িক প্ৰতিষ্ঠান পুনঃনিৰ্মাণৰ কাম চলি থকাৰ অচিলা লৈ বিগত কিছুদিনৰ পৰা ঐতিহাসিক গান্ধী চ'কৰ চৌপাশে শিল-বালি, যন্ত্ৰপাতি আদি ৰাখি পৰিৱেশটো একপ্ৰকাৰ ধূলিময়, কদৰ্যময় কৰি যাতায়তৰ অনুপযোগী কৰি তুলিছে। আৰ. কে. মেডিকেল ষ্টোৰ্চ, বিল্ড ইট (দা কণ্ট্ৰেক্টৰ হাব), গ্লাচৰ দোকানকে ধৰি চাহ বাগিছা, ফেক্টৰী আদিৰ গৰাকী এই ৰাজু গাৰোডিয়াই ধনবলৰ জোৰত বলিয়ান হৈ এনে কাণ্ড সংঘটিত কৰাৰ সাহস কৰা বুলিও অভিযোগ উত্থাপিত হৈছে। এইক্ষেত্ৰত ডুমডুমাৰ কোনো এটা দল-সংগঠনে ব্যৱসায়ী ৰাজু গাৰোডিয়াৰ এনে আজৱ কৰ্ম-কাণ্ডক লৈ "টু" এটাও উচ্চাৰণ নকৰাক লৈ ডুমডুমাৰ একাংশ সচেতন মহলে তীব্ৰ ক্ষোভ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই প্ৰায় ২ কোটি টকাৰ ব্যয়েৰে 'মুখ্যমন্ত্ৰীৰ নগৰীয়া পকী পথ আঁচনি' (২০২৩-২৪) ৰ অধীনত পুৰণি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডুমডুমা নগৰৰ ৰে'ল গেটৰ পৰা ডুমডুমা আৰক্ষী থানালৈ মুঠ ৫০০ মিটাৰ পথ "গৌৰৱ পথ" নামেৰে ন-ৰূপত নিৰ্মাণ কৰোৱাৰ অন্তত যোৱা ২৯ ছেপ্টেম্বৰত শাৰদীয় দুৰ্গা পূজাৰ মহাসপ্তমীৰ সন্ধিয়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ৰাইজৰ সেৱাত উছৰ্গা কৰিছিল। কিন্তু ৩টা মাহ নৌহওঁতেই পথচোৱাৰ মাজত এনেদৰে শিল-বালি, ইটা, যন্ত্ৰপাতি আদি ৰাখি ৰাইজৰ যাতায়তত সমস্যাৰ সৃষ্টি কৰা কাৰ্যক ডুমডুমাৰ সচেতন মহলে বিষয়টোক সহজভাৱে ল'ব পৰা নাই। ব্যৱসায়ী ৰাজু গাৰোডিয়াৰ এনে অবিবেচক কাণ্ডক লৈ ডুমডুমাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সময়তে ডুমডুমাৰ কোনো এটা দল-সংগঠনে বিষয়টোক লৈ নীৰৱ নিচ্ছুপ হৈ থকাক লৈ এতিয়া প্ৰশ্নৰ উদয় হৈছে - ৰাজু গাৰোডিয়া "পাৱাৰফুল" মানুহ নেকি ?

## সাহিত্যক, গ্ৰন্থপ্ৰেমীৰ উপস্থিতিৰে সুভাসিত গ্ৰন্থমেলাৰ বাকৰি

# মেৰাপানী সীমাত গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ

**অসম বাৰ্তা, মেৰাপানী, ৬ ডিচেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তবৰ্তী মেৰাপানীত ৩ ডিচেম্বৰৰ পৰা দৈয়াং সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হৈ থকা মেৰাপানী সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা আজি তৃতীয়া দিনা পুৱা চিত্ৰাংকন প্ৰতিযোগিতা, দিনৰ দুই বজাত দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত বক্তৃতা আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা উদ্বোধন কৰে গোলাঘাট পূৱ শিক্ষাখণ্ডৰ শিক্ষা বিষয়া অৱনী গগৈয়ে। সন্ধিয়া বাৰেৰহনীয়া সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী দীপু দীক্ষিতে গীত পৰিৱেশন কৰি সকলো আপ্লুত কৰে। ইফালে ৪ ডিচেম্বৰ পুৱা দৈয়াং শাখা সাহিত্য সভাৰ আজীৱন সভ্য সমাৰোহ উদ্বোধন কৰে শিক্ষাবিদ বীৰেন বৰাই। দুপৰীয়া অসম ভাষা সাহিত্যলৈ জনগোষ্ঠীয় সাহিত্যিকৰ বৰঙনি আৰু নৱপ্ৰজন্মৰ বাবে সাহিত্য সভাৰ কৰণীয় "উক্ত বিষয়ৰ ওপৰত অনুষ্ঠিত আলোচনা চক্ৰ উদ্বোধন কৰে বিশিষ্ট নাট্যকাৰ, শিশু সাহিত্যক দেৱব্ৰত মহন্তই, নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট কবি, সাহিত্যক ড° জ্যোতিৰেখা হাজৰিকা, বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি বন্তি বৰা অসম সাহিত্য সভাৰ চাহ জনজাতি উপ-সমিতিৰ আহ্বায়ক দিগন্ত ভূএগ্ৰা, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামী, গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ দাস, টাই আহোম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক শোভন কোঁৱৰকে প্ৰমুখ্য কৰি বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। সন্ধিয়া সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা, বন্তি প্ৰজ্বলনে সামৰণি পৰে। আনহাতে কালিলৈ ছাত্ৰ-ছাত্ৰীৰ মাজত সাধু কোৱা, চিঠি লিখা, হাতৰ আখৰ লিখা, ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা উদ্বোধন কৰিব মেৰাপানী জাতীয় বিদ্যালয়ৰ সঞ্চালক পল্লৱ বৰবৰুৱাই। দুপৰীয়া স্ব-ৰচিত কবিতা পাঠৰ অনুষ্ঠান উদ্বোধন কৰিব হেমা চৌধুৰী গগৈয়ে। বিয়লি সত্ৰীয়া নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব দৈয়াং শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তিলেশ্বৰ বৰা, সন্ধিয়া অনুষ্ঠিত হ'ব লগা গ্ৰন্থ উন্মোচনী সভা গ্ৰন্থ উন্মোচন কৰিব নুমলীগড় শোধানাগাৰ মহাপ্ৰবন্ধক ডঃ কাজল শইকীয়াই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব বিশিষ্ট সাহিত্যক ডাঃ অজিত বৰুৱা। নিশালৈ সাজ-পাৰ প্ৰতিযোগিতা আৰু স্থানীয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান সামৰণি পৰিব।





# বিশ্বাস যাত্ৰা ঃ বাল্য বিবাহ ৰোধ আৰু মহিলা সজাগতাৰ লক্ষ্য

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৬ ডিচেম্বৰ ঃ** অসম ৰাজ্যিক মহিলা আয়োগ আৰু অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ যৌথ উদ্যোগত ৰাজ্যজুৰি আৰম্ভ হোৱা 'বিশ্বাস যাত্ৰা'ৰ অংশস্বৰূপে আজি বঙাইগাঁও জিলাত এক সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাৰ নেতৃত্বত কেইবাগৰাকীও যুৱক-যুৱতীয়ে এক মটৰচাইকেল ৰেলীৰে বঙাইগাঁও জিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত হয়। এই সন্দৰ্ভত মন্তব্য কৰি অধ্যক্ষা আঙুৰলতা ডেকাই কয় যে এই 'বিশ্বাস যাত্ৰা'ৰ মূল উদ্দেশ্য হৈছে মহিলাসকলক মানসিকভাৱে সজাগ আৰু সচেতন কৰা, লগতে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি ৰোধ কৰা। এইযাত্ৰাইৰাজ্যখনত মহিলাৰ অধিকাৰ আৰু সুৰক্ষাৰ বিষয়ে এক গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

## চতুৰ্থ কাৰ্যসূচী পশ্চিম যোৰহাটৰ পৰ্বতীয়া এম ভি-ত

# ড° ভূপেন হাজৰিকা জন্ম-শতবৰ্ষিকী বছৰ জোৰাকৈ পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৬ ডিচেম্বৰ ঃ** পশ্চিম যোৰহাট ভিত্তিত ড° ভূপেন হাজৰিকা জন্ম-শতবৰ্ষিকী বছৰজোৰা কাৰ্যসূচীৰে ৮ আগষ্টত গঠন কৰা সমিতিখনে আৰম্ভণি অনুষ্ঠান ৮ ছেপ্টেম্বৰত সৰুচৰাই চাহ বাগিচাৰ মুক্তিযোদ্ধা সুখলাল ৰাজপুত আদৰ্শ বিদ্যালয়ত পালন কৰাৰ পাছতে দ্বিতীয় কাৰ্যসূচী ৮ অক্টোবৰত পি এম শ্ৰী ম'হবন্ধা চাহ বাগিচা উচ্চ মাধ্যমিক বিদ্যালয়ত, তৃতীয় কাৰ্যসূচী উত্তৰ-পশ্চিম যোৰহাটৰ বাঁহফলা ধনখুলৈ শংকৰদেৱ বিদ্যাপীঠ জাতীয় বিদ্যালয়ত ৰূপায়ণ কৰাৰ পাছত চতুৰ্থ কাৰ্যসূচী ৮ ডিচেম্বৰত সৰুচৰাই পৰ্বতীয়া আদৰ্শ মজলীয়া বিদ্যালয়ত দিনৰ ১২ বজাৰপৰা অনুষ্ঠিত কৰিবলৈ আয়োজন কৰিছে। ড° ভূপেন হাজৰিকাৰ গীত, নৃত্য, কবিতা, কথাৰে আয়োজন কৰা শিল্পীগৰাকীৰ শতবৰ্ষীয় উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে। উল্লেখ্য, সেবিন বৰাক সভাপতি, প্ৰবীণ কলিতাক উপ-সভাপতি, প্ৰভাত দত্তক সম্পাদক, অবন গোস্বামীক কাৰ্যকৰী সম্পাদক, ৰমেন শইকীয়াক প্ৰচাৰ আৰু তথ্য সংৰক্ষকৰ দায়িত্ব অৰ্পণেৰে ৮ আগষ্টত গঠন কৰা ১০০ গৰাকীৰ সমিতিখনে প্ৰতিমাহৰে ৮ তাৰিখত অঞ্চলটোৰ ভিন্ন স্থানত অনুষ্ঠান অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰাৰ লগতে ১০০ বছৰৰো অধিক দিন জীৱিত থকা ১০০টা গছপুলি ৰোপণ, বছৰটোত ১০০ গৰাকীক শিল্পীজনৰ গীত গাবলৈ সুবিধা প্ৰদান কৰাৰ উপৰি ওলগ, অভিনন্দন, শুভেচ্ছা জ্ঞাপন কৰিব, জ্যেষ্ঠ শিল্পীক সম্বৰ্ধনা জনাব, প্ৰতি স্থানতে শিল্পীজনৰ গীত, নৃত্য, কথাৰে অনুষ্ঠান সম্পন্ন কৰাৰ উপৰি ২০২৬ বৰ্ষৰ ৮ ছেপ্টেম্বৰত সামৰণী অনুষ্ঠান বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰাৰ লগতে সেই বৰ্ষৰে ৮ ডিচেম্বৰত বৰ্ষটোত ৰূপায়ণ কৰা কাৰ্যৰে আলোকচিত্ৰসহ প্ৰতিবেদন প্ৰকাশ কৰি বিতৰণৰ লগতে সমিতিখন ভংগ কৰিব।

# আঘোণৰ পথাৰত সোণগুটি চপোৱাত ব্যস্ত বৰক্ষেত্ৰীৰ কৃষক

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৬ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বিভিন্ন প্ৰান্তত এতিয়া একেই ছবি পৰিস্ফুট হৈ পৰিছে। সকলো ফালে এতিয়া কেৱল শইছ সোণোৱালী পথাৰ। সোণোৱালী পথাৰৰ মাজত শালিধানৰ খেতি চপোৱাত ব্যস্ত হৈ পৰিছে সমগ্ৰ অঞ্চলবাসী। ব্যতিক্ৰম নহয় নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ ১ নং জয়সাগৰ গাঁৱৰ কৃষকসকলো। গাঁওখনত এতিয়া সকলোৱে নিজৰ নিজৰ কৃষি পথাৰত ব্যস্ত হৈ পৰিছে কি ডেকা, আবাল বৃদ্ধ, বনিতা সকলো এতিয়া পথাৰত ব্যস্ত সোণগুটি চপোৱাত। আঘোণৰ পথাৰৰ প্ৰখৰ ৰ'দকো নেওচি ব্যস্ত হৈ পৰিছে যুৱ-কৃষকসকলো। মুঠতে, উৎসাহী যুৱকসকলৰ চৌপাশে এতিয়া কেৱল আঘোণৰ পথাৰৰ জীয়া কাহিনীৰ ছবি।

# চাৰিঙৰ ৮৯৫ নং ন-আলি প্ৰাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তী উদযাপনৰ বৰ্ণাঢ্য আয়োজন

**অসম বাৰ্তা, জাঁজী, ৬ ডিচেম্বৰ ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্যতম সেনানী শ্বহীদ মণিৰাম দেৱান আৰু অসমৰ প্ৰথম মহিলা স্নাতক সুখলতা দুৱৰা আৰু সুধালতা দুৱৰাৰ জন্মভূমি শিৱসাগৰ জিলাৰ ইতিহাস বিজড়িত চাৰিং দুৱৰাপাৰৰ ১৯৬১ চনত স্থাপিত ৮৯৫ নং ন আলি প্ৰাথমিক বিদ্যালয়ে এজোপা বুঢ়া বকুলৰ ছাঁ লৈ গাঁৱৰ ছাত্ৰ ছাত্ৰীৰ জীৱন গঢ়াৰ প্ৰথম কঠীয়াতলি হিচাপে সুদীৰ্ঘ পৰিক্ৰমা অতিক্ৰমী হীৰক জয়ন্তী বৰ্ষ পাৰ কৰিছে। আনহাতে অহা ২৪ জানুৱাৰীত বিদ্যালয়ৰ শিক্ষক অভিভাৱক প্ৰাক্তন ছাত্ৰ ছাত্ৰী তথা গাঁৱবাসীৰ ঐক্যবদ্ধ প্ৰচেষ্টাত এদিনীয়া কায্যসূচীৰে হীৰক জয়ন্তী সামৰণী অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে। দুটা বৰ্ষক এটা বছৰ হিচাপে লৈ অহা ডিচেম্বৰৰ ১০ তাৰিখে হীৰক জয়ন্তীৰ আৰম্ভণি অনুষ্ঠান হিচাপে লৈ এদিনীয়া কায্যসূচীৰে সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হব। সমান্তৰাল ভাবে ১০ ডিচেম্বৰ পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হব লগা সাহিত্য প্ৰতিযোগিতা খনিত প্ৰয়াত কন্দৰ্প দাস সোঁৱৰণী আৰু প্ৰয়াত ধীৰেন বৰুৱা সোঁৱৰণী প্ৰাইজমণি চিত্ৰাংকণ প্ৰতিযোগিতা, প্ৰয়াত ৰুলী দুৱৰা সোঁৱৰণীত কুইজ প্ৰাইজমণি প্ৰতিযোগিতা, আৰু কবিতা প্ৰতিযোগিতা অনুষ্ঠিত হব। ইয়াৰোপৰি হীৰক জয়ন্তী ১০ ডিচেম্বৰৰ আৰম্ভণি অনুষ্ঠানৰ আৰম্ভণিতে গাঁৱৰ নামঘৰৰ নামঘৰীয়া লক্ষণ চন্দ্ৰ দুৱৰাই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভনি কৰিব। বিদ্যালয়ৰ পতাকা লগতে মহাৰজত জয়ন্তী পতাকা উত্তোলন কৰিব প্ৰধান শিক্ষয়ত্ৰী অলকা কাকতি আৰু ৰঞ্জিত বৰাই। প্ৰতিযোগিতা উদ্বোধন কৰিব এন. ডি ২৪ ৰ উজনি অসমৰ ব্ৰু ছিফ কৌস্তুৱ মণি কাকতিয়ে। আনহাতে ১৫ ডিচেম্বৰ তাৰিখে পুৱা ৯ বজাত বিভা দুৱৰাই এগছি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান আৰম্ভ কৰিব। উক্ত দিনা অনুষ্ঠিত হ'ব প্ৰয়াত অৰুণ কলিতা সোঁৱৰণী আধুনিক নৃত্য আৰু প্ৰয়াত বিজিত কাকতি সোঁৱৰণিত প্ৰাইজমণি ভাওনা সংলাপ প্ৰতিযোগিতা। হীৰক জয়ন্তী সামৰণি অৰ্থাৎ ২৪ জানুৱাৰীত প্ৰয়াত প্ৰসাদ দুৱৰা সোঁৱৰণীত এক প্ৰাইজমণি সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হব। বিদ্যালয়খনৰ তিনিওটা দিনৰ প্ৰতিটো কায্যসূচীতে শুভাকাংখী ৰাইজ, প্ৰাক্তন ছাত্ৰী, প্ৰাক্তন শিক্ষক, অভিভাৱক অভিভাৱিকা সকলোৱে উপস্থিতি আৰু পূৰ্ণ সহযোগিতা কামনা কৰিছে আৰু লগতে যোগাযোগ নম্বৰ ৯১০১০৫৭৮৪৩, ৮৬৩৮৩ ৪৪৪০৭ মুকলি কৰিছে।

# দ্যা আলটিমেট ইউনিচে' ফিটনেছৰ উদ্যোগত ষ্টংমেন আৰু ষ্টংউমেন প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, নগাঁও, ৬ ডিচেম্বৰ ঃ** নগাঁৱৰ ইউনিচে' ফিনটেনছ জিম দ্যা আলটিমেট ফিটনেচৰ উদ্যোগত অলপতে ষ্টংমেন আৰু ষ্টংউমেন শীৰ্ষক প্ৰতিযোগিতাখনি সফলতাৰে সম্পন্ন হয়। প্ৰতিযোগিতাখনিত নগাঁৱৰ বহুকেইগৰাকী পুৰুষ আৰু মহিলা খেলুৱৈয়ে অংশগ্ৰহণ কৰি প্ৰতিযোগিতাত পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। উল্লেখ যে, দ্যা আলটিমেট ফিটনেচ জিমৰ উদ্যোগত আগন্তুক দহ ডিচেম্বৰলৈ যুৱক যুৱতী উভয়ে বিনামূলীয়াকৈ নিজৰ সময়মতে এই জিমট আহি শাৰীৰিক অনুশীলন কৰিব পাৰিব বুলি দ্যা আলটিমেট ফিটনেচৰ স্বতাধিকাৰীয়ে সংবাদ মাধ্যমক জানিবলৈ দিছে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন